www.newsnextone.com
e সংবাদ
SUNDAY, NOVEMBER 17, 2024 ■ দেওবাৰ, ১ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩১৪ Guwahati, Assam ।। মূল্যঃ এটকা

## ৰাজ্যৰ প্ৰান্তে প্ৰান্তে প্ৰেছ দিৱস

**ই-সংবাদ, ১৬ নৱেম্বৰঃ** আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। এই অনুযায়ী সমগ্ৰ ৰাজ্যজুৰি ৰাষ্ট্ৰীয় প্ৰেছ ৫ পৃষ্ঠাত চাওক

## গৰু চুৰি কৰি ধূলাত ৪ জন ধৃত

**ই-সংবাদ, ১৬ নৱেম্বৰঃ** যেন কালৰো কাল বিপৰীত কাল, হৰিণাই চেলেকে বাঘৰ গাল ৪ পৃষ্ঠাত চাওক

### ঘটনাক লৈ ঝাৰখণ্ডতো ব্যাপক প্ৰতিক্ৰিয়া

# অ'চি ভাৰ্গৱৰ বিৰুদ্ধে এজাহাৰ দিলে জ্ঞানদীপে



**ই-সংবাদ, ১৬ নৱেম্বৰঃ** অৱশেষত আক্ৰমণকাৰী অ'চি ভাৰ্গৱ বৰবাৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে ভুক্তভোগী ডেলিভাৰী বয় তথা কটনিয়ান জ্ঞানদীপ হাজৰিকাই। প্ৰথম অৱস্থাত গোচৰ ৰুজু নকৰো বুলি কলেও শনিবাৰে সন্ধিয়াৰ ভাগত পাণবজাৰ থানাত অ'চি ভাৰ্গৱ শেষাংশ ৬ পৃষ্ঠাত

# যোগীৰাজ! হাস্পতালত জ্বলি ছাই হ'ল ১০ দেৱশিশু

### ম্যাদ উকলা অগ্নিনিৰ্বাপক যন্ত্ৰৰে চলাইছিল কাম







**লক্ষ্ণৌ , ১৬ নৱেম্বৰঃ** চিকিৎসালয়ত পৰ্যাপ্ত ব্যৱস্থা নথকাৰ বাবেই বিশ্বগুৰু হ'বলৈ ওলোৱা ভাৰতত জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যুক আকোৱালি ল'লে কেঁচুৱাই। ১০ মাহ ১০ দিন গৰ্ভত ৰাখি প্ৰসৱ কৰা সন্তানৰ মুখখন ভালকৈ চাব শেষাংশ ৩ পৃষ্ঠাত

### গোষ্ঠীগত সংঘৰ্ষৰ ভয়াৱহ ৰূপ ■ অপহৃত কেঁচুৱাসহ ছয়জনক হত্যা বিদ্ৰোহীৰ

# আকৌ জ্বলি উঠিছে মণিপুৰ, বিজেপি বিধায়কৰ ঘৰত আক্ৰমণ









**ইম্ফল, ১৬ নৱেম্বৰঃ** পুনৰ অগ্নিগৰ্ভা হৈ পৰিছে মণিপুৰ। কুকি বিদ্ৰোহীয়ে মেইটেই সম্প্ৰদায়ৰ নিৰীহক টাৰ্গেট কৰি লোৱাত আকৌ এবাৰ দাউদাউকৈ জ্বলি উঠিছে হিংসা জৰ্জৰিত চুবুৰীয়া শেষাংশ ৬ পৃষ্ঠাত

### কংগ্ৰেছৰ সংবাদমেল

# চামগুৰিত চলিছিল ৰিগিং

**ই-সংবাদ, ১৬ নৱেম্বৰঃ** চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনত ব্যাপকহাৰত ৰিগিং আৰু বুথ কেপচাৰিং হোৱা শেষাংশ ৫ পৃষ্ঠাত

## উত্তপ্ত নাজিৰা, সাংবাদিকক প্ৰাণে মৰাৰ ভাবুকি



**ই-সংবাদ, নাজিৰা, ১৬ নৱেম্বৰঃ** গুৱাহাটীৰ পিছত এইবাৰ নাজিৰাত অসম আৰক্ষীৰ শেষাংশ ৫ পৃষ্ঠাত

### শিলচৰলৈ বিচাৰি আহিল ১০ কুকি বিদ্ৰোহীৰ মৃতদেহ

# মণিপুৰত জ্বলা জুইয়ে চুই গ'ল অসমকো, বৰাকত কুকি লোকৰ প্ৰতিবাদ



**ই-সংবাদ, ১৬ নৱেম্বৰঃ** মণিপুৰ হিংসাৰ পাৰ্শ্বক্ৰিয়া আৰম্ভ হৈছে অসমত। হিংসাত জৰ্জৰিত মণিপুৰত সাম্প্ৰদায়িক হিংসা অব্যাহত থকাৰ সময়তে নিৰাপত্তাৰক্ষীৰ গুলীত নিহত শেষাংশ ৩ পৃষ্ঠাত

# নটিছ পালে ৰাহুল গান্ধী-শ্বাহে

**নতুন দিল্লী, ১৬ নৱেম্বৰঃ** কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী আৰু বিজেপি নেতা তথা দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহক শেষাংশ ২ পৃষ্ঠাত

# ৯ বছৰ পূৰ্বে জনজাতীয় যুৱকক হত্যা কৰি খাকীত তেজৰ দাগ লগাইছিল ভাৰ্গৱে

**ই-সংবাদ, ১৬ নৱেম্বৰঃ** কটনৰ ছাত্ৰ জ্ঞানদীপ হাজৰিকাক বৰ্বৰভাৱে প্ৰহাৰ কৰি পাণবজাৰ আৰক্ষী থানাৰ পৰা খেদা খোৱা





ভাৰ্গৱ বৰবৰাৰ কুকীৰ্তি পোহৰলৈ আহিবলৈ আৰম্ভ কৰিছে। ৩০ অক্টোবৰত দীঘলীপুখুৰীৰপাৰত গছ কটাৰ শেষাংশ ২ পৃষ্ঠাত

### লক্ষ্য ভুৱা বিত্তীয় প্ৰতিষ্ঠান

# শিৱসাগৰত চিবিআইৰ দল

**ই-সংবাদ শিৱসাগৰ , ১৬ নৱেম্বৰঃ** ৰাজ্যত ট্ৰেডিং কেলেংকাৰীৰ তদন্ত ক্ষিপ্ৰ গতিত চলাই থকাৰ সময়তে শেষাংশ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# নটিছ পালে ৰাহুল গান্ধী-শ্বাহে

জাননী প্ৰদান কৰিছে নিৰ্বাচনী আয়োগে। শনিবাৰে দুই মুখ্য প্ৰতিদ্বন্দ্বি ৰাষ্ট্ৰীয় দল বিজেপি আৰু কংগ্ৰেছৰ অন্যতম দুই নেতাক জাননী প্ৰদান কৰাৰ খবৰে চৰ্চা লাভ কৰিছে। নিৰ্বাচনী আয়োগে কংগ্ৰেছ-বিজেপিৰ তাৰকা প্ৰচাৰক ৰাহুল গান্ধী আৰু অমিত শ্বাহক প্ৰচাৰ সভাত দিয়া মন্তব্যৰ বাবে জাননী জাৰি কৰিছে। দুয়োজন নেতাৰ মন্তব্যই আদৰ্শ আচৰণ বিধি উলংঘা কৰাৰ অভিযোগ আনি দুয়ো নেতাক স্পষ্টিকৰণ দিবলৈ কোৱা হৈছে। দুয়োদলৰ শীৰ্ষ নেতাৰ বাবে বিজেপি সভাপতি জে পি নাড্ডা আৰু কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক জাননী জাৰি কৰি উত্তৰ বিচাৰিছে। সোমবাৰে পুৱা ১ বজাৰ ভিতৰত উত্তৰ দিব লাগিব। মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডত দিয়া ভাষণত লৈ আয়োগে জাননী জাৰি কৰিছে। বিজেপিয়ে ৰাহুল গান্ধীৰ বিৰুদ্ধে অভিযোগ দাখিল কৰি কৈছিল যে ৬ নৱেম্বৰত মুম্বাইত দিয়া ভাষণত গুজৰাটৰ কতা উল্লেখ কৰি মহাৰাষ্ট্ৰৰ সুবিধা কাঢ়ি নিয়াৰ অভিযোগ উত্থাপন কৰিছিল। ৰাহুল গান্ধীয়ে মহাৰাষ্ট্ৰৰ যুৱক-যুৱতীসকলক বক্তব্যৰে উত্তেজিত কৰি আহিছে। যিটো দেশৰ ঐক্য আৰু অখণ্ডতাৰ বাবে অত্যন্ত বিপদজনক। ৰাহুল গান্ধীৰ ভাষণ মিছা আৰু মিছাৰে পৰিপূৰ্ণ আছিল। উদ্দেশ্য আছিল ভাৰতৰ ৰাজ্যসমূহৰ মাজত বিভেদ, শত্ৰুতা আৰু বিদ্বেষ সৃষ্টি কৰা। ৰাহুল গান্ধীয়ে বিভ্ৰান্তিকৰ মন্তব্যৰে মহাৰাষ্ট্ৰ, গুজৰাটৰ লোকসকলৰ মাজত বিভাজন সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে। কংগ্ৰেছে অভিযোগ আনি কয় যে গৃহমন্ত্ৰী অমিত শ্বাহে ১২ নৱেম্বৰত ধানবাদত এক নিৰ্বাচনী জনসভাৰ সময়ত ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু সহযোগীসকলৰ বিষয়ে মিছা, বিভাজনমূলক, বিদ্বেষপূৰ্ণ আৰু অপবাদমূলক মন্তব্য দিছিল। ভাষণৰ সময়ত অমিত শ্বাহে অভিযোগ কৰিছিল যে কংগ্ৰেছ আৰু সহযোগী দলসমূহ অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী বিৰোধী। দেশত সন্ত্ৰাসবাদৰ প্ৰচাৰ কৰে কংগ্ৰেছে। ঝাৰখণ্ডত বিজেপিৰ প্ৰচাৰ অভিযানত শ্বাহৰ এই মন্তব্য সাধাৰণ হৈ পৰিছে। অমিত শ্বাহে কংগ্ৰেছৰ বিৰুদ্ধে এছটি, এছচি আৰু অ'বিচি সম্প্ৰদায়ৰ সদস্যসকলৰ পৰা সংৰক্ষণ কাঢ়ি লৈ এক নিৰ্দিষ্ট ধৰ্মীয় সংখ্যালঘু সদস্যক দিয়াৰ পৰিকল্পনা কৰাৰো অভিযোগ উত্থাপন কৰিছে। কংগ্ৰেছে কয় যে অমিত শ্বাহে ধৰ্ম আৰু জাতিৰ ভিত্তিত ভোটাৰসকলক উত্তেজিত কৰি ভোট একত্ৰিত কৰা আৰু সাম্প্ৰদায়িক নিৰাপত্তাহীনতা বৃদ্ধি কৰি বিজেপিৰ সপক্ষে ভোট দিবলৈ প্ৰেৰিত কৰিছে। কংগ্ৰেছে আৰু কয় যে আদৰ্শ আচৰণ বিধিত মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন নিশ্চিত কৰাৰ বাবে নিৰ্দেশনা আছে। এই নিৰ্দেশনা অনুযায়ী নিৰ্বাচনী প্ৰচাৰৰ সময়ত কোনো দল বা প্ৰাৰ্থীয়ে এনে কোনো কাৰ্যকলাপত লিপ্ত হ'ব নালাগে যাৰ ফলত পাৰস্পৰিক বিদ্বেষ বৃদ্ধি পাব পাৰে বা বিভিন্ন জাতি আৰু সম্প্ৰদায়, ধৰ্মীয় বা ভাষিক সম্প্ৰদায়ৰ মাজত উত্তেজনা সৃষ্টি কৰিব পাৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৯ বছৰ পূৰ্বে জনজাতীয় যুৱকক হত্যা

বিৰুদ্ধে প্ৰতিবাদ কৰা জ্যেষ্ঠ নাগৰিক, ছাত্ৰ-ছাত্ৰীৰ গাত য'তে-ত'তে হাত দি ৰাস্তাত বগৰাই প্ৰহাৰ কৰিছিল গুণ্ডা প্ৰকৃতিৰ ভাৰ্গৱে। তাৰ পাছতে ১৫ নৱেম্বৰত ৰাজহুৱা স্থানত কটৰ ছাত্ৰ জ্ঞানদীপ হাজৰিকাক হত্যাৰ প্ৰয়াস কৰিছিল। এই দুটা কাণ্ডই নহয়। বদমেজাজী ভাৰ্গৱ বৰবৰাই ইয়াৰ পূৰ্বে এজন জনজাতীয় যুৱকক হত্যা কৰিছিল বুলি অভিযোগ উত্থাপন হৈছে। এজন জনজাতীয় যুৱকে নিশা ৰাস চাই ঘৰলৈ আহি থকাৰ সময়তে ভাৰ্গৱ বৰবৰাই যুৱকজনত হত্যা কৰি নদীত পেলাই দিয়াৰ অভিযোগ উত্থাপন হৈছে। গুৱাহাটী মহানগৰীৰ ফাঁচীবজাৰৰ জেল ৰোডত ডেলিভাৰী বয়ক ৰাজহুৱা স্থানতে হত্যাৰ প্ৰয়াস কৰা ভাৰ্গৱ বৰবৰাই গোৱালপাৰাত কৰ্মৰত অৱস্থাত এজন যুৱকক হত্যা কৰি পৰিয়ালটোক ভাবুকি দিয়াৰ কথা পোহৰলৈ আহিছে। সংবাদমাধ্যমত জ্ঞানদীপ কাণ্ডৰ কথা চৰ্চা হৈ থকাৰ সময়তে এগৰাকী যুৱতী আৰু এজন বৃদ্ধ লোকে ভাৰ্গৱ বৰবৰাৰ বিৰুদ্ধে আনিছে গুৰুতৰ অভিযোগ। সাধাৰণ লোকৰ ওপৰত বৰমতা দেখুওৱা ভাৰ্গৱ বৰবৰাৰ ক'লা অধ্যায় পোহৰলৈ অনা যুৱতী আৰু বৃদ্ধই ৯ বছৰ আগৰ সেই দিনটোৰ কথা স্মৰণ কৰি চকুলো টুকিলে। ভাৰ্গৱে খাকী পোছাকত জনজাতীয় যুৱকৰ তেজৰ দাগ লগাই আন এক কাণ্ড সংঘটিত কৰিছিল গোৱালপাৰা জিলাত। জ্ঞানদীপ হাজৰিকাক হত্যাৰ প্ৰয়াস কৰি পাণবজাৰ থানাৰ পৰা নিলম্বিত হোৱা অ'চি ভাৰ্গৱ বৰবৰাই ২০১৫ চনতে এটা দৰিদ্ৰ পৰিয়ালৰ যুৱকক হত্যা কৰিছিল। তেতিয়াৰ পৰাই ভয়ত মুখ খোলা নাছিল পৰিয়ালটোৱে। কিয়নো পৰিয়ালক ভাবুকি দি থৈ আহিছিল বৰবৰাই। চকুপানীৰে বাট নেদেখা দুৰ্ভগীয়া পৰিয়ালটোৱে এতিয়া সেই কথা ক'বলৈ সাহস গোটাইছে। ২০১৫ চনত গোৱালপাৰা চহৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে কৰ্মৰত আছিল ভাৰ্গৱ বৰবৰা। ভাৰপ্ৰাপ্ত বিষয়া হিচাপে কৰ্তব্যৰত অৱস্থাত ভাৰ্গৱ বৰবৰাই পাহাৰতোলীৰ লোহিত কাছাৰী নামৰ যুৱক এজনক হত্যা কৰাৰ অভিযোগ উঠিছিল। সিদিনা নিশা পাহাৰতোলীৰ লোহিত কাছাৰীক সুৰাসক্ত অৱস্থাত প্ৰত্যক্ষ কৰি গোৱালপাৰা টাউন আৰক্ষীৰ লকআপত ভৰাই থৈছিল গুণ্ডা ভাৰ্গৱ বৰবৰাই। নিশা মাৰপিট কৰি হত্যা কৰি দলঙৰ পৰা পেলাই দিয়াৰ অভিযোগ উঠিছিল। পুৱা লোহিত কাছাৰী নামৰ যুৱকজনৰ মৃতদেহ ৰহস্যজনকভাৱে উদ্ধাৰ হৈছিল ব্ৰহ্মপুত্ৰৰ দাঁতিত। পৰিয়ালে দুৰ্ভগীয়া লোহিত কছাৰীক আৰক্ষী থানাৰ মানুহে ধৰি নিয়া বুলি অৱগত হয়। তাৰ পাছতে আৰক্ষীৰ সৈতে যোগাযোগ কৰে পৰিয়ালে। কিন্তু অন্য ঠাইৰ এখন হাস্পতালিত ভৰ্তি কৰা হৈছে আৰু নিশা দুৰ্ঘটনা সংঘটিত হোৱা বুলি কৈছিল ভাৰ্গৱ বৰবৰাই। পৰিয়ালে সেই হাস্পতাললৈ গৈ পুত্ৰক চাব খোজে। তেতিয়া ভাৰ্গৱ বৰবৰাই মৰণোত্তৰ পৰীক্ষা কৰি থকা বুলি কয়। তেতিয়া পিতৃয়ে কয় যে মোৰ ল'ৰাৰ দুৰ্ঘটনা হৈ হৈছে। সামান্য দুখ পাইছে যদি কিয় মৰণোত্তৰ পৰীক্ষা কৰা হৈছে বুলি প্ৰশ্ন কৰে। তেতিয়া লোহিত কছাৰীৰ পৰিয়ালক মুখ বন্ধ ৰাখিবলৈ ভাবুকি দিয়ে। পৰিয়াল তথা ৰাইজে সেই সময়তে লকআপত যুৱকজনক নিৰ্মমভাৱে প্ৰহাৰ কৰি হত্যা কৰাৰ অভিযোগ আনিছিল। লকআপত হত্যা কৰাৰ পাছত ৰহস্যজনকভাৱে মৃতদেহ ওখ ঠাইৰ পৰা নদীত পেলাই দিয়াৰ অভিযোগ উঠিছিল। ভাৰ্গৱ বৰবৰাৰ বৰ্বৰতাৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি প্ৰতিবাদ কৰিছিল ৰাইজে। কিন্তু ৰহস্যজনভাৱে শীৰ্ষ বিষয়াই গুৰুত্ব নিদিয়াত আজিলৈ ন্যায় নাপালে দুৰ্ভগীয়া জনজাতীয় পৰিয়ালটোৱে। লোহিত কছাৰীৰ ভগ্নীয়ে টিভিত ভাৰ্গৱ বৰাৰ ফটো দেখি ভাতৃক মনত পেলাই হুকহুকাই কান্দিবলৈ ধৰে। এনে আৰক্ষী বিষয়াক কিয় ৰাখিছে বুলি প্ৰশ্ন কৰে? এনে বিষয়াৰ ঠাই জেল হ'ব লাগি বুলি কৈ বৃদ্ধ পিতৃ আৰু ভগ্নীয়ে কয় যে ভাৰ্গৱ বৰাই আমাৰ পৰিয়ালক শেষ কৰি পেলাইছে। আমাক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ন্যায় প্ৰদান কৰক। খাকীত তেজৰ দাগ লগোৱা ভাৰ্গৱ বৰবৰাক শাস্তি দি ন্যায়ৰ দাবী কৰিছে লোহিত কাছাৰীৰ ভগ্নীয়ে। গোৱালপাৰাৰ দুৰ্ভগীয়া পৰিয়ালটোক ন্যায় দিবনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। থলুৱাৰ কথা কোৱা আৰু আৰক্ষীক সভাত নীতিশিক্ষা দি অহা হিমন্ত চৰকাৰে ২০১৫ চনৰ ঘটনাৰ তদন্ত ঘোষণা কৰিব নে নাই সেয়া এতিয়া লক্ষণীয় হৈ পৰিব।

# লাইব্ৰেৰীৰ কাৰ্যকলাপ সন্দৰ্ভত টাটা ট্ৰাষ্টৰ বিশেষ শিক্ষক প্ৰশিক্ষণ

**ই-সংবাদ, তামুলপুৰ, ১৬ নৱেম্বৰঃ** টাটা ট্ৰাষ্টৰ অধীনৰ তামুলপুৰ শিক্ষা খণ্ডৰ অন্তৰ্গত চিএমএল কেন্দ্ৰৰ উদ্যোগত আজিৰে পৰা শিক্ষানুষ্ঠানত লাইব্ৰেৰীৰ কাৰ্যকলাপ আৰু ছাত্ৰ-ছাত্ৰীসকলক কেনেকৈ কিতাপৰ প্ৰতি আকৰ্ষিত কৰিব পাৰি লগতে গ্ৰন্থ অধ্যয়নৰ প্ৰতি আকৃষ্ট কৰিবলৈ দুদিনীয়া শিক্ষক প্ৰশিক্ষণ অনুষ্ঠিত কৰা হয়। ফাউণ্ডেচন লিটাৰেচী এণ্ড নিউমেৰেচী শীৰ্ষক এই প্ৰশিক্ষণত তামুলপুৰৰ ১৫০ গৰাকী প্ৰধান শিক্ষকৰ লগতে সহকাৰী শিক্ষকে প্ৰশিক্ষণ লয়। তামুলপুৰ ছোৱালী হাইস্কুলত প্ৰাংগণত অনুষ্ঠিত প্ৰশিক্ষণত শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত বিদ্যালয়ত কিদৰে পুথিভঁৰাল পৰিচালনা কৰিব লাগে তাৰ ওপৰত প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণত টাটা ট্ৰাষ্টৰ ভাষা সমন্বয়ক মৌচুমী হালৈয়ে সমল ব্যাক্তি হিচাপে অংশগ্ৰহণ কৰে। এই প্ৰশিক্ষণ বড়ো মাধ্যমৰ লগতে অসমীয়া মাধ্যমতো প্ৰদান কৰা হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰত জ্বলা জুইয়ে চুই গ'ল অসমকো

বিদ্ৰোহীৰ মৃতদেহক লৈ আজি অসমত প্ৰতিবাদ সাব্যস্ত কৰে কেইবা শতাধিক কুকি লোকে। নিৰাপত্তাৰক্ষীৰ গুলীত নিহত ১০ কুকি বিদ্ৰোহীৰ মৃতদেহ মণিপুৰ আৰক্ষীৰ পৰিৱৰ্তে কুকি সম্প্ৰদায়ক গতাই দিয়াৰ দাবীত আজি বৰাক উপত্যকাৰ কাছাৰ জিলাৰ সদৰ শিলচৰত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে কেইবা শতাধিক কুকি লোকে। মণিপুৰ, মিজোমাৰৰ পৰা অহা আৰু বৰাক উপত্যকাত বসবাস কৰা একাংশ কুকি লোকে শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ সন্মুখত সমৱেত হৈ প্ৰতিবাদ সাব্যস্ত কৰে। মৃতদেহসমূহ মিজোৰামলৈ নি শেষকৃত্য সম্পন্ন কৰিবলৈ অনুমতি দিয়াৰ দাবী জনায়। কিন্তু কাছাৰ প্ৰশাসন আৰু আৰক্ষী শলঠেকত পৰে। পুৰুষ আৰু মহিলাই ভাৰত চৰকাৰ, মণিপুৰ চৰকাৰৰ বিৰুদ্ধে শ্লʼগান দি ১০ বিদ্ৰোহীৰ মৃতদেহ কুকি সম্প্ৰদায়ক গতাই দিয়াৰ দাবী উত্থাপন কৰাত উত্তেজনাই বিৰাজ কৰে। অসম-মণিপুৰ সীমান্তৱৰ্তী এলেকাত উত্তেজনাৰ মাজতে বৰাক শিলচৰত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাত অসম আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰে। বিগত তিনি-চাৰি দিন ধৰি কুকি উগ্ৰপন্থীৰ মৃতদেহ বিচাৰি কেইবা শতাধিক লোকে শিলচৰত বাহৰ পাতি আছিল। শিলচৰ চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষক কুকি সম্প্ৰদায়ৰ হাতত মৃতদেহ কেইটা গতাই দিয়াৰ দাবী জনায়। আজি প্ৰতিবাদ সাব্যস্ত কৰাত সমগ্ৰ বৰাক উপত্যকাত উত্তেজনা বিয়পি পৰে আৰু আৰক্ষী-অৰ্ধসামৰিক বাহিনীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলগীয়া হয়। সোমবাৰৰ পৰা মৰ্গত আছে ১০ কুকি বিদ্ৰোহীৰ মৃতদেহ। আজি মৃতদেহসমূহ মণিপুৰ আৰক্ষীয়ে চমজি লয় আৰু চূড়াচান্দপুৰলৈ নিবলৈ ওলোৱাৰ সময়তে শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ সন্মুখত কুকি লোকে প্ৰতিবাদ সাব্যস্ত কৰে। অৰ্ধসামৰিক বাহিনীৰ গুলীত নিহত ১০ জন লোক উগ্ৰপন্থী নাছিল আৰু কুকি ভলণ্টিয়াৰ্ছহে আছিল প্ৰতিবাদী লোকসকলে দাবী কৰে। তেওঁলোকে কয় যে আমি মৃতদেহসমূহ মিজোৰামলৈ নি শেষকৃত্য সম্পন্ন কৰিব খুজিছিলো। যাৰ বাবে মৃতদেহসমূহ শিলচৰতে কুকি সম্প্ৰদায়ৰ হাতত গতাই দিয়াৰো দাবী উত্থাপন কৰিছো। কাছাৰ জিলা আৰক্ষী অধীক্ষক, আইজিপিয়ে প্ৰতিবাদকাৰীক বুজনি দি পৰিস্থিতি ক্ষান্ত নোহোৱাত অসম আৰক্ষীয়ে শক্তি প্ৰয়োগ কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। উত্তপ্ত পৰিস্থিতিৰ মাজতে মণিপুৰ আৰক্ষীয়ে কনভয় যোগে ১০ কুকি বিদ্ৰোহীৰ মৃতদেহ মণিপুৰলৈ নিয়ে। প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছতে অসম আৰক্ষীয়ে সীমান্তৱৰ্তী এলেকাৰ লগতে শিলচৰত হাই এলাৰ্ট জাৰি কৰিছে। উল্লেখ্য যে, ১২ নৱেম্বৰত এক এনকাউণ্টাৰত ১১ সন্দেহজনক উগ্ৰপন্থী নিহত হৈছিল। অসমৰ সীমান্তৱৰ্তী মণিপুৰৰ জিৰিবাম জিলাত সন্দেহযুক্ত কুকি উগ্ৰপন্থীয়ে আৰক্ষী থানাৰ আক্ৰমণৰ পাছতে চিআৰপিএফৰ শিবিৰত আক্ৰমণৰ সময়তে দুয়োপক্ষৰ মাজতে লগা সংঘৰ্ষত ১০ সন্দেহযুক্ত কুকি উগ্ৰপন্থী নিহত হয়। আৰক্ষী থানাত আক্ৰমণ কৰাৰ পিছতে লগা সংঘৰ্ষত ১০ সন্দেহযুক্ত কুকি উগ্ৰপন্থী নিহত হোৱাত জিলাখনৰ পৰা মেইটে সম্প্ৰদায়ৰ তিনি শিশুসহ ৬ মহিলাক অপহৰণ কৰিছিল সন্দেহজনক কুকি উগ্ৰপন্থীয়ে। ইয়াৰ পিছত ৬গৰাকী মহিলা আৰু শিশুৰ মৃতদেহ নদীত ভাহি অহাৰ সময়ত উদ্ধাৰ হৈছে। এই ঘটনাই মণিপুৰৰ লগতে এতিয়া সমগ্ৰ অসমকে জোকাৰি গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# যোগীৰাজ! হাস্পতালত জ্বলি ছাই হ'ল ১০

নোৱাৰিলে পিতৃ-মাতৃয়ে। তাৰ পূৰ্বেই জুইৰ লেলিহান শিখাত পুৰি ছাঁই হৈ গ'ল ১০টা পানী কেঁচুৱা। বিজেপি শাসিত উত্তৰ প্ৰদেশত সংঘটিত সংঘটিত হৈছে এই বছৰটোৰ সকলোতকৈ কৰুণ ঘটনা। এটা ৱাৰ্ডত ভিতৰতে ১০টা কেঁচুৱা জ্বলি ছাঁই হোৱাৰ ঘটনাই সমগ্ৰ দেশ দেশক জোকাৰি গৈছে। নৱজাতকসকলৰ বয়স এদিনৰ পৰা এমাহৰ ভিতৰৰ। ১০টা শিশু জীৱিত অৱস্থাতে অগ্নিদগ্ধ হৈ মৃত্যুক আকোৱালি লৈছে বিজেপি শাসিত যোগী আদিত্য নাথৰ ৰাজ্য উত্তৰ প্ৰদেশত। উত্তৰ প্ৰদেশৰ ঝান্সীত এই ঘটনা সংঘটিত হৈছে। শুকুৰবাৰে নিশা ঝাঁচী জিলাৰ এখন চৰকাৰী চিকিৎসালয়ত সংঘটিত অগ্নিকাণ্ডত কমেও ১০ নৱজাতকৰ মৃত্যু হৈছে। অগ্নিকাণ্ডত আন ১৬ নৱজাতকৰ আহত হৈ উত্তৰ প্ৰদেশৰ কেইবাখনো চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ১৬ নৱজাতকে জীৱন-মৰণৰ যুঁজ দিছে। ১৬ নৱজাতকক প্ৰাণ ৰক্ষাৰ কৰিবলৈ চিকিৎসকৰ দলে অহৰহ চেষ্টা চলাই গৈছে। অগ্নিকাণ্ডৰ কাৰণ এতিয়ালৈ ৰাজ্য চৰকাৰ তথা ৰাজ্য প্ৰশাসনে ৰাজহুৱা কৰা নাই। উত্তৰ প্ৰদেশ চৰকাৰে দুৰ্ঘটনাটোৰ কাৰণ জানিবলৈ উচ্চ পৰ্যায়ৰ তদন্ত সমিতি গঠন কৰিছে। ১২ ঘণ্টাৰ ভিতৰত প্ৰাথমিক প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে। কিন্তু এই ঘটনাৰ পিছতে চৰকাৰী চিকিৎসালয়ত উত্তৰ প্ৰদেশ চৰকাৰৰ ব্যৱস্থাক লৈ অভিযোগ উত্থাপিত হ'বলৈ আৰম্ভ কৰিছে। জুই নিৰ্বাপনৰ বাবে চৰকাৰী চিকিৎসালয়ত থাকিবলগীয়া ব্যৱস্থা নাছিল বুলি অভিযোগ উঠিছে। চিকিৎসালয় কৰ্তৃপক্ষই কৰ্তব্যত অৱহেলা কৰাৰো অভিযোগ উত্থাপিত হৈছে। দিয়া শলাইৰ কাঠি জ্বলাই অক্সিজেন চিলিণ্ডাৰৰ পাইপ ঠিক কৰাৰ ফলত অগ্নিকাণ্ড সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। ঝান্সিৰ মহাৰাণী লক্ষ্মীবাই চিকিৎসা মহাবিদ্যালয়ৰ নৱজাতক বিভাগত অগ্নিকাণ্ড সংঘটিত হয়। শুকুৰবাৰে নিশা শিশু ৱাৰ্ডত ধোঁৱা ওলোৱাত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। বাজি উঠে ফায়াৰ এলাৰ্ম। বহু সময়লৈকে কৈ হৈছিল মানুহে ধৰিবই পৰা নাছিল। চিকিৎসালয়খনৰ চৌহদত দৌৱা-দৌৰি লাগে। জানিব পৰা মতে, শুকুৰবাৰে নিশা লক্ষ্মীবাই চিকিৎসা মহাবিদ্যালয়ৰ নৱজাতক বিভাগত অক্সিজেন চিলিণ্ডাৰৰ পাইপত কোনো সমস্যা হৈছিল। এগৰাকী নাৰ্চে অক্সিজেন চিলিণ্ডাৰৰ পাইপ ঠিক কৰিবলৈ দিয়া শলাইৰ কাঠি জ্বলাইছিল। সেই কাঠিৰ জুয়ে সমগ্ৰ কোঠাত অগ্নিকাণ্ড সংঘটিত হোৱা বুলি একাংশ প্ৰত্যক্ষদৰ্শীয়ে দাবী কৰিছে। জানিব পৰা মতে প্ৰায় ২৬গৰাকী কেঁচুৱা থকা কোঠাটোৰ অগ্নি নিৰ্বাপক যন্ত্ৰই সঠিকভাৱে কাম কৰা নাছিল। অগ্নি নিৰ্বাপক ব্যৱস্থাৰ ম্যাদ দুবছৰ আগতে উকলি গৈছিল। যদি চিকিৎসালয়ৰ অগ্নি নিৰ্বাপক যন্ত্ৰই সঠিকভাৱে কাম কৰিলহেঁতেন তেন্তে ১০ নৱজাতকৰ ৰক্ষা কৰিব পৰা গ'লহেঁতেন। চিকিৎসালয়ৰ নাৰ্চগৰাকীৰ অৱহেলাৰ বাবে এনে কাণ্ড সংঘটিত হোৱাৰ বুলি বিভিন্নজনে দাবী কৰিছে। প্ৰত্যক্ষদৰ্শী ভগৱান দাসে কয় যে দুৰ্ঘটনাৰ সময়ত তেওঁ ৱাৰ্ডত আছিল কিন্তু পুত্ৰক সেই ৱাৰ্ডত ৰখা হৈছিল। জুই জ্বলোৱাৰ ঠিক আগতে নাৰ্চে ৱাৰ্ডত দিয়া শলাই জ্বলাইছিল। দিয়া শলাইৰ জুই ব্যৱহাৰ কৰি অক্সিজেন চিলিণ্ডাৰৰ পাইপ ঠিক কৰিবলৈ চেষ্টা কৰা হৈছিল। ৱাৰ্ডত সাধাৰণতে উচ্চ পৰিমাণৰ অক্সিজেন থাকে। প্ৰত্যক্ষদৰ্শীৰ মতে দিয়া শলাৰ জ্বলন্ত কাঠিৰ পৰাই ৱাৰ্ডখনত জুই লাগিছিল। জীৱন্তে উদ্ধাৰ কৰা নৱজাতকক ৱাৰ্ডৰ খিৰিকী ভাঙি উলিয়াই আনিবলৈ সক্ষম হয়। অগ্নিকাণ্ড ইমানেই ভয়াৱহ আছিল যে অগ্নিনিৰ্বাপক বাহিনীয়ে কমেও তিনি ঘণ্টাৰ অন্তহে অগ্নি নিৰ্বাপণ কৰিবলৈ সক্ষম হৈছিল। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে উপ-মুখ্যমন্ত্ৰী ব্ৰিজেশ পাঠকক ঝান্সীলৈ প্ৰেৰণ কৰে। ঝাঁসীৰ উপায়ুক্ত আৰু ডিআইজিক দুৰ্ঘটনাৰ তদন্তৰ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে মৃত নৱজাতকৰ পৰিয়ালক ৫ লাখ, আহতক ৫০ হাজাৰ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও সাহায্য দিয়াৰ ঘোষণা কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৰু চুৰি কৰি ধূলাত ৪ জন ধৃত

কথা তেনেকুৱাই। গোধন ৰক্ষাৰ বাবে ৰাজনীতি কৰা আৰু ৰাজপথত গাড়ী ৰখাই অইন ধৰ্মৰ লোকক প্ৰহাৰ কৰিবলৈ নেৰা লোককে গৰু চুৰি কাণ্ডৰ সৈতে জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে দৰং জিলাত। গৰু চুৰিৰ সৈতে জড়িত থকাৰ অভিযোগত বজৰং দলৰ সদস্যক গ্ৰেপ্তাৰ কৰিছে দৰং জিলাৰ ধূলা আৰক্ষীয়ে। গৰু চোৰৰ হাইজেক হোৱা গাড়ীৰ বিচাৰি এক অভিযান চলাই আৰক্ষীয়ে গৰু চুৰি চক্ৰৰ সৈতে জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰে বজৰং দলৰ সদস্যক। বজৰং দলৰ সদস্য এতিয়া ৰঙা ঘৰৰ আলহী। ধূলা আৰক্ষীয়ে অনুপ শৰ্মা, ৰাজীৱ হাজৰিকা, কিশোৰ শৰ্মা, ভাস্কৰ শইকীয়া নামৰ বজৰং দলৰ চাৰি সদস্যৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰিছে। অভিযোগ মতে, অনুপ শৰ্মা, ৰাজীৱ হাজৰিকা, কিশোৰ শৰ্মা, ভাস্কৰ শইকীয়াক ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা হাইজেক কৰিছিল গৰু কঢ়িওৱা গাড়ী। ফলত ধূলা আৰক্ষীয়ে হাইজেক কাণ্ডত বজৰং দলৰ সদস্যসকল জড়িত থকাৰ তথ্য লাভ কৰে। ইপিনে অনুপ শৰ্মা, ৰাজীৱ হাজৰিকা, কিশোৰ শৰ্মা, ভাস্কৰ শইকীয়াই আৰক্ষীৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি কয় যে তেওঁলোকে ১৩ নৱেম্বৰৰ নিশাৰ ৰৌতালৈ যোৱাৰ সময়তে মঙলদৈৰ চৰকাৰ চ'কত তিনিখন গাড়ীয়ে আগভেটা দিয়ে। ৰাজপথত দুৰ্বৃত্তৰ নিৰ্যাতন চলোৱাৰ লগতে গৰু গাড়ী হাইজেক কৰাৰ অভিযোগক ধূলা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি হাৰাশাস্তি কৰে। ৪ যুৱকক ধূলা থানাত বন্দী কৰি গৰুৰ সৈতে অন্তৰ্ধান হোৱা গাড়ী উলিয়াই দিবলৈ দাবী-ধমকি দি আৰক্ষীয়ে মাৰধৰ কৰা বুলি অভিযোগ আনে বজৰঙৰ সদস্যসকলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত চিবিআইৰ দল

আজি শিৱসাগৰত এটা ভুৱা বিত্তীয় প্ৰতিষ্ঠানত অতৰ্কিতে অভিযান চলাই চি বি আই'ৰ দলে। চিবিআইৰ চাৰিজনীয়া দলে শিৱসাগৰ কেন্দ্ৰীয় বজাৰৰ সমীপৰ লখিমী সঞ্চয় ঋণদান সমবায় সমিতি লিমিটেড নামৰ বিত্তীয় প্ৰতিষ্ঠানটোৰ কাৰ্যালয়ত অভিযান চলাই বহু আপত্তি জনক নথিপত্ৰ জব্দ কৰে। চিবিআইৰ দলটোৱে প্ৰায় ৪ ঘন্টা ধৰি কাৰ্যালয়টোত অভিযান চলায়। উল্লেখ্য যে ২০২০-২১ বৰ্ষত উক্ত বিত্তীয় প্ৰতিষ্ঠানটো খুলিছিল অভিজিত গগৈ আৰু জীতামণি গগৈ নামৰ দম্পত্তীহালে। নিয়োজিত কৰিছিল শতাধিক এজেন্ট। তাৰ পিছতে লাখ লাখ টকা লুণ্ঠনৰ জাল তৰিছিল লখিমী সঞ্চয় ঋণদান সমবায় সমিতি লিমিটেডে। উজনিৰ সহস্ৰাধিক লোকে অধিক সুদ লাভ তথা দুগুণ ধন লাভৰ আশাত লাখ লাখ টকা জমা কৰিছিল প্ৰতিষ্ঠানটোত। কম দিনৰ ভিতৰতে প্ৰতিষ্ঠানটোৱে কোটি কোটি টকা সংগ্ৰহ কৰাৰ পিছতে গ্ৰাহকক প্ৰাপ্য উভতাই দিয়াত পলম কৰিবলৈ ধৰিলে। প্ৰাপ্য ধন ঘূৰাই নাপাই হাহাকাৰ কৰা বহু গ্ৰাহকে প্ৰথমে যোৱা ফ্ৰেব্ৰুৱাৰী মাহত দম্পত্তিহালৰ শিৱসাগৰ মেলাচকত থকা বাসগৃহ ঘেৰাও কৰে। তাৰ পিছত শিৱসাগৰ আৰক্ষীয়ে নিজাববীয়াকৈ ১১৩/২০২৪ নম্বৰ গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰে দম্পত্তীহালৰ লগতে কেচিয়াৰ বিকি ঘোষক। বৰ্তমানেও তিনিও গৰাকী কাৰাৰুদ্ধ হৈ থকা সময়তে আজি চিবিআইয়ে বিত্তীয় প্ৰতিষ্ঠানত অভিযান চলোৱাত বহু এজেন্টৰ মাজতো লাগিছে হাহাকাৰ। জানিব পৰা মতে চিবিআই-এ সমগ্ৰ বিষয়টো ট্ৰেডিং বিত্তীয় কেলেংকাৰীৰ আওতাত সদৰ থানাত ৰুজু হোৱা নিজাববীয়া গোচৰৰ ভিত্তিত চলাই এই অভিযান। ইপিনে যিসকল গ্ৰাহকে কষ্টৰ ধন জমা থৈ বৰ্তমানেও ঘূৰাই নাপালে সেইসকলে ধন ঘূৰাই পাবনে নাই সেয়া লক্ষণীয় হ'ব।

# বিশিষ্ট সমাজকৰ্মী প্ৰদীপ কুমাৰৰ মৃত্যু



**ই-সংবাদ, মিৰ্জা, ১৬ নৱেম্বৰঃ** অসম ৰাজ্যিক পাঠ্যপুথি প্ৰকাশন আৰু প্ৰণয়ন নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা পলাশবাৰী অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী প্ৰদীপ কুমাৰৰ যোৱা ৮ নৱেম্বৰৰ নিশা নিজ বাসভৱনত মৃত্যু হয়। বিগত প্ৰায় দুটা বছৰ ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ অকাল মৃত্যুক আঁকোৱালি লোৱা প্ৰয়াত কুমাৰ পলাশবাৰী ৰাস মহোৎসৱ সমিতিৰ মুখপত্ৰ ৰাসক্ৰীড়াৰ বহুকেইটা সংখ্যাৰ যুটীয়া সম্পাদক, পলাশবাৰী সংস্কৃতি বিকাশ ভৱনৰ প্ৰাক্তন খেল সম্পাদক আৰু বৰ্তমানৰ সহকাৰী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি অঞ্চলটোৰ বহুকেইটা অনুষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত লগতে ব্ৰীজ আৰু কেৰমৰ এগৰাকী দক্ষ খেলুৱৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৫ বছৰ।

# কোকৰাঝাৰত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস, জ্যেষ্ঠ সাংবাদিক মৃণাল তালুকদাৰ, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ অংশগ্ৰহণ

**ই-সংবাদ, কোকৰাঝাৰ, ১৬ নৱেম্বৰঃ** বিটিচিৰ তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত আৰু বডোলেণ্ড জাৰ্ণেলিষ্ট এছ'চিয়েছনৰ সহযোগত আজি দিনযোৰা কাৰ্যসূচীৰে কোকৰাঝাৰৰ তাৰকাগৃহ প্ৰাংগণত কেন্দ্ৰীয়ভাৱে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হয়। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৯:৩০ বজাত পতাকা উত্তোলন, ৯:৪০ বজাত শ্বহীদ তৰ্পন আৰু ৰাতিপুৱা ১০:০০ বজাত গ্ৰীণ বড়োলেণ্ড মিছনৰ অধীনত গছপুলি ৰোপন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পিছতেই ৰাতিপুৱা ১১:০০ বজাৰ পৰা বড়োলেণ্ড জাৰ্ণেলিষ্ট এছ'চিয়েছনৰ সাধাৰণ সভা অনুষ্ঠিত হয় যত বিটিআৰৰ কেউখন জিলাৰ পৰা সাংবাদিকসকলে অংশগ্ৰহণ কৰে। ইপিনে বড়োলেণ্ড জাৰ্ণেলিষ্ট এছ'চিয়েছনৰ সাধাৰণ সভা অনুষ্ঠিত হোৱাৰ পিছতে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বডোলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য বি এল আহুজা। ইয়াৰোপৰি মুকলি সভাত জ্যেষ্ঠ সাংবাদিক মৃণাল তালুকদাৰ, গণ অধিকাৰ কাকতৰ সম্পাদক জাকিৰ হুছেইন, বিকাশ ভাৰত সমাচাৰৰ সম্পাদক ৰাকেশ শৰ্মা, বিটিচিৰ তথ্য আৰু জনসংযোগ বিভাগৰ যুটীয়া সচিব ৰক্তিম বুঢ়াগোঁহাই, বিটিচিৰ চিৰাং, বাকসা আৰু কোকৰাঝাৰৰ তথ্য আৰু জনসংযোগ বিষয়াসকলৰ লগতে আন বহু বিশিষ্ট ব্যক্তি উপস্থিত আছিল। উল্লেখ্য যে মুকলি সভাত বিটিচিৰ তথ্য আৰু জনসংযোগ বিভাগৰ মুৰব্বী জাহিদ আহমেদ তাপাদাৰে আদৰণি ভাষণ আগবঢ়ায়। বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো নতুন দিল্লীত অনুষ্ঠিত হোৱা বড়োলেণ্ড মহোৎসৱত উপস্থিত থকাৰ বাবে কোকৰাঝাৰত আয়োজিত হোৱা ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকিব নোৱাৰিলে যদিও প্ৰমোদ বড়োৰ শুভেচ্ছামূলক ভাষণ পাঠ কৰি শুনায় কোকৰাঝাৰৰ তথ্য আৰু জনসংযোগ বিষয়া(ভাৰপ্ৰাপ্ত)মনস্বিতা মহন্তই। তদ্ৰূপ বিটিচিৰ তথ্য আৰু জনসংযোগ বিভাগৰ কাৰ্যবাহী সদস্য ড° নিলুৎ স্বৰ্গীয়াৰীৰ শুভেচ্ছামূলক ভাষন বাকসাৰ তথ্য আৰু জনসংযোগ বিষয়া (ভাৰপ্ৰাপ্ত) জেচিকা পাউডেল ছেত্ৰীয়ে আৰু বিটিচিৰ মুখ্যসচিব আকাশদ্বীপৰ শুভেচ্ছামূলক ভাষন চিৰাংৰ তথ্য আৰু জনসংযোগ বিষয়া (ভাৰপ্ৰাপ্ত) কমল দলেই পাঠ কৰি শুনায়। উল্লেখ্য যে আজিৰ অনুষ্ঠানত পেঞ্চনপ্ৰাপ্ত সাংবাদিক ক্ৰমে ওদালগুৰিৰ ইমৰান হুছেইন, তামোলপুৰৰ খগেন বৈশ্য আৰু আনন্দ ৰামচিয়াৰী আৰু কোকৰাঝাৰৰ স্বপন কুমাৰ এশ্বক সম্বৰ্ধনা জনোৱা জনোৱাৰ লগতে মানপত্ৰ প্ৰদান কৰা হয়। আনহাতে জ্যেষ্ঠ সাংবাদিক ক্ৰমে কোকৰাঝাৰৰ হৰিশংকৰ ঠাকুৰ (দৈনিক পূৰ্বোদয়), বাকসাৰ ধ্ৰুৱ শৰ্মা (আমাৰ অসম), চিৰাংৰ দুৰ্লভ তালুকদাৰ(দৈনিক জনমভূমি), তামোলপুৰৰ বাপুৰাম বড়ো(দৈনিক জনমভূমি) আৰু ওদালগুৰীৰ গুণজিৎ দাস(ডিওৱাই ৩৬৫) মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। আজিৰ অনুষ্ঠানত বড়োলেণ্ড জাৰ্ণেলিষ্ট এছ'চিয়েছনৰ সভাপতি আবু বক্কৰ ছিদ্দিককে ধৰি সন্থাৰ বিষয়ববীয়াসকল, বিটিআৰৰ প্ৰায় শতাধিক সাংবাদিক উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চামগুৰিত চলিছিল ৰিগিং

বুলি দাবী কৰি অহাৰ সময়তে এইবাৰ একেটা অভিযোগকে উত্থাপন কৰিছে চামগুৰি সমষ্টিৰ ব্লক কংগ্ৰেছ সমিতিয়ে। চামগুৰি সমষ্টিৰ ভোটগ্ৰহণৰ দিনটোত কংগ্ৰেছ এজেণ্ট হিচাপে দায়িত্ব পালন কৰা লোকক লৈ আজি লাওখোৱা, কলিয়াবৰ ব্লক কংগ্ৰেছে সংবাদমেল সম্বোদন কৰি চামগুৰিৰ উপ-নিৰ্বাচন শান্তিপূৰ্ভভাৱে অনুষ্ঠিত হৈ যোৱা বুলি বিজেপিয়ে কৰা দাবীক উভতি ধৰে। সাংবাদমাধ্যমযোগে অসমৰ মানুহে চামগুৰিৰ কথা প্ৰত্যক্ষ হৈ অহা বুলি কৈ ব্লক কংগ্ৰেছৰ নেতাসকলে কয় যে প্ৰথমে বটদ্ৰৱাৰ বিধায়িকা শিৰামণি বৰা আৰু ৰূপহীহাটৰ বিধায়ক নৰুল হুদাৰ গাড়ী ভাঙি পেলাইছে। দুয়ো বিধায়কক প্ৰাণে মৰাৰ প্ৰয়াস কৰিছিল। ১৫ অক্টোবৰৰ পৰা আৰম্ভ হোৱা এই নিৰ্বাচনী হিংসা মনোনয়ন দাখিল আৰু ভোটগ্ৰহণৰ দিনলৈকে অব্যাহত থকা বুলি দাবী কৰিছে ব্লক কংগ্ৰেছৰ নেতাসকলে। নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই এখন সংবাদমেল সম্বোধন কৰি চামগুৰি উপ-নিৰ্বাচনত ভোটগ্ৰহণ সুন্দৰকৈ অনুষ্ঠিত হৈ যোৱা বুলি কৰা দাবীক নস্যাৎ কৰে। চামগুৰিত ব্যাপক ৰিগিং আৰু বুথ কেপচাৰিং কৰা হৈছে কংগ্ৰেছে দাবী কৰিছে। জিলা কংগ্ৰেছৰ সভাপতি প্ৰশান্ত শইকীয়া, আমবাগান জিলা পৰিষদৰ প্ৰাক্তন সদস্য দীপক বিশ্বাস, কংগ্ৰেছ নেতা ৰাজীৱ বৰুৱা, মাণিক বৰা, জগদীশ সিনহা, এজেণ্ট দীপক বিশ্বাসে সংবাদমেল সম্বোধন কৰি গণতান্ত্ৰিক আৰু শান্তিপূৰ্ণ ভোটদান হ'লে সকলোৱে প্ৰচাৰ চলোৱাৰ, ভোট দিয়াৰ অধিকাৰ থাকিলহেঁতেন বুলি কৈ কয় যে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা উপস্থিত থকাৰ সময়তে কংগ্ৰেছৰ কৰ্মী আৰু গাড়ীত আক্ৰমণ কৰা হৈছিল। বিজেপিয়ে কৰ্মীয়ে সাংবাদিককো আক্ৰমণ কৰিছে। সাংবাদিকে প্ৰতিবাদ কৰাৰ সময়তে পীযুষ হাজৰিকা উপস্থিত হোৱাত সকলো কথা তল পৰি গ'ল। বিজেপিৰ কৰ্মীয়ে কংগ্ৰেছ কৰ্মীক ভাবুকি দিলে। ব্যাপক আতিশয্যা চলালে। কংগ্ৰেছ কৰ্মীক ঘৰৰ পৰা ওলোৱা বন্ধ কৰি দিছিল। ব্যাপক হাৰত ৰিগিং হৈছে। বুথ কেপচাৰিং কৰা হৈছে। ৰিটাৰ্ণিং বিষয়া, নিৰ্বাচনী আয়োগক এই বিষয়ত পত্ৰ প্ৰেৰণ কৰি কথাবোৰ অৱগত কৰিছে প্ৰাৰ্থী তাঞ্জিল হুছেইন আৰু ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে। ১৬টা বুথত পুনৰ ভোটগ্ৰহণ হ'ব লাগে। তিনিজন নেতা জিতু গোস্বামী, ৰূপক শৰ্মা, সুৰেশ বৰা এই কাণ্ডত জড়িত হৈ আছে। চামগুৰি সমষ্টিৰ ভোটাৰ নোহোৱাৰ পিছতো ভোটৰ দিনা সমষ্টিত প্ৰৱেশ কৰি মানুহৰ ভয়-ভাবুকি দিছে। নিৰ্বাচনী আয়োগে পত্ৰ দিয়াত কংগ্ৰেছৰ নেতা অহা নাই, কিন্তু বিজেপিৰ নেতাসকলে বাহিৰৰ পৰা আহি ঘূৰি আছিল। গোটেই ব্যৱস্থাটোক ভয়-ভাবুকি দিছে। কংগ্ৰেছৰ এজেণ্ট দীপক বিশ্বাসক গতিয়াই দিছে। ব্যাপক হাৰত ৰিগিং হৈছে। বুথ কেপচাৰিং কৰা হৈছে। কিন্তু বিজেপিয়ে আজি সুকলমে নিৰ্বাচন অনুষ্ঠিত হোৱা বুলি কৈছে। এই কথা আমি মানি লোৱা নাই। ভোটাৰক নিজ ইচ্ছামতে ভোট দিব নিদিলে। আৰক্ষী, নিৰ্বাচনী আয়োগ বিজেপিৰ সৈতে একে হৈ যোৱা ব্যৱস্থাটোত চামগুৰি সমষ্টিৰ কংগ্ৰেছ সুখী নহয় সেয়েহে পুনৰ ভোটগ্ৰহণ দাবী কৰিছো বুলি কয় জিলা কংগ্ৰেছ আৰু ব্লক কংগ্ৰেছৰ নেতাসকলে। অসামাজিক চক্ৰক হাতত লৈ বিজেপিয়ে এইবোৰ কৰিছে বুলি দাবী কৰি কংগ্ৰেছ নেতাসকলে কয় যে এনে চক্ৰই উদামাৰিত কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিলৰ গাড়ী ভাঙি পেলাইছিল। আনকি ৰূপহীহাটত থানাত প্ৰতিবাদ কৰিবলৈ গৈছিল কংগ্ৰেছে। সেই সময়ত আৰক্ষীৰ সন্মুখত বিজেপি কৰ্মীয়ে কংগ্ৰেছ কৰ্মীক আক্ৰমণ কৰিবলৈ উদ্যত হৈছিল। কাজিয়া লগাবলৈ প্ৰয়াস কৰিছিল। শাৰীৰিকভাৱে আক্ৰমণ কৰি সংঘাত লগাব বিচাৰিছিল। কংগ্ৰেছীয়ে ধৈৰ্য্য ধৰিছে। নিৰ্বাচন আয়োগে চাৰ্কুলাৰ দি কৈছিল যে নিৰ্বাচনৰ দিনা বাহিৰা মানুহ থাকিব নোৱাৰে। কংগ্ৰেছৰ বাহিৰৰ মানুহ চামগুৰিলৈ অহা নাছিল। কিন্তু বিজেপিৰ নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা আৰু বঢ়মপুৰৰ বিধায়ক জুতি গোস্বামী, সুৰেশ বৰাই চামগুৰিত সমষ্টিৰ বিভিন্ন বুথলৈ গৈছে। পশ্চিম খোৱালনি এলপি স্কুলৰ উদাহৰণ দাঙি ধৰি নেতাসকলে কয় যে সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই এই কেন্দ্ৰত সোমোৱাৰ লগতে লগত যোৱাসকলেও বুথত সোমাইছে। কংগ্ৰেছ এজেণ্ট দীপক বিশ্বাসে ভোট কেন্দ্ৰত সোমাবালৈ বাধা দিয়ে যদিও ৰূপক শৰ্মাৰ লগত যোৱা লোকে দীপক বিশ্বাস গতিয়াই দিয়ে। গৰুমৰা এলপি স্কুলত জুতি গোস্বামীয়ে ভোট কেন্দ্ৰত প্ৰৱেশ কৰি আৰক্ষীক চাই লম বুলি ধমক দিছিল। উত্তৰ হাৰিভঙা প্ৰাথমিক স্কুল, হাৰিভঙা কালিবাৰী প্ৰাথমিক বিদ্যালয়তো বিজেপিৰ লোকসকলে ভোটগ্ৰহণৰ দিনটোত একে কামকে কৰিছে বুলিও সংবাদমেলত কংগ্ৰেছ নেতাসকলে অভিযোগ উত্থাপন কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তপ্ত নাজিৰা, সাংবাদিকক প্ৰাণে

এজন জোৱানে গুণ্ডাগিৰি সংঘটিত কৰাৰ অভিযোগ উত্থাপিত হৈছে। এই জোৱানজন হৈছে অসম আৰক্ষীৰ বেটেলিয়ন ভাস্কৰ গগৈ। গগৈয়ে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ দিনাই সাংবাদিকক গুলীয়াবলৈ উদ্যত হোৱা কাৰ্যই নাজিৰাৰ সংবাদ মহলৰ লগতে সমগ্ৰ ৰাজ্যতে চৰ্চা লাভ কৰিছে। প্ৰাপ্ত বাতৰি অনুসৰি অসম আৰক্ষীৰ ২৫নং বেটেলিয়নৰ জোৱানজনে অনএনজিচিৰ অসম সম্পদৰ মুখ্যদ্বাৰত প্ৰৱেশৰ সময়তে সাংবাদিকক অভব্য, অভদ্ৰ আচৰণ কৰাৰ উপৰিও একপ্ৰকাৰ গুলীয়াবলৈকো উদ্যত হয়। এই লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় নাজিৰাৰ অ'এনজিচিৰ অসম সম্পদৰ প্ৰৱেশদ্বাৰৰ সমুখত। পৰৱৰ্তী সময়ত সাংবাদিকসকলে জোৱানজনৰ এনে কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদো সাব্যস্ত কৰে। অৱশেষত অ'এনজিচিৰ শীৰ্ষ বিষয়া আৰু অসম আৰক্ষীৰ উৰ্ধতন কৰ্তৃপক্ষ ঘটনাস্থলীত উপস্থিত হৈ ক্ষোভিত সাংবাদিকসকলক সৈমান কৰোৱাৰ লগতে অভিযুক্ত জোৱানজনক আটক কৰাত পৰিস্থিতি শান্ত হয়। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ দিনাই নাজিৰাত এনেদৰে সাংবাদিকৰ ওপৰত সংঘটিত হোৱা অপ্ৰীতিকৰ পৰিস্থিতি তথা কাণ্ডক একেমুখে গৰিহণা দিছে সচেতন মহলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যৰ প্ৰান্তে প্ৰান্তে প্ৰেছ দিৱস

দিৱস পালন কৰা হয়। দেশৰ সাংবাদিকসকলৰ স্বাধীনতাক সুনিশ্চিত তথা সুস্থ কৰি ৰাখিবলৈ সমগ্ৰ দেশৰ লগতে অসমতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হয়। দায়িত্বশীল সংবাদ মাধ্যমৰ অস্তিত্ব বজাই ৰাখি মানুহৰ ভালৰ বাবে বাতৰি প্ৰকাশৰ বাতাবৰণ গঢ়ি তুলিবলৈ আকৌ এবাৰ সাংবাদিকসকলে শপত লোৱা পৰিলক্ষিত হয়। দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন প্ৰেছ ক্লাব, জাৰ্ণেলিষ্ট ইউনিয়ন তথা জিলা প্ৰশাসনে আলোচনা চক্ৰ, বক্তৃতানুষ্ঠান আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। সাংবাদিকৰ সুৰক্ষা, আৰ্থিক পৰিস্থিতি, প্ৰকৃত স্বাধীনতা সুনিশ্চিত কৰাৰ দিশ আলোচনা কৰে। আজি প্ৰেছ দিৱস পালন কৰি সাংবাদিকতাৰ পেশাগত নৈতিকতাক বজাই ৰখাৰ স্বাৰ্থক সাৰোগত কৰি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভক টনকীয়াল কৰি ৰখাৰ বাবে পুনৰ এটি বছৰৰ সাজু হয় সাংবাদিকসকল। বিভিন্ন মাধ্যমত জড়িত সাংবাদিকল সকল ১৯৬৬ চনত সাংবিধানিক সংস্থা ৰূপে প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়াৰ স্থাপন কৰিছিল। এই দিনটোকে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হয়। অসমত উজনি-নামনিত বিভিন্ন জিলাৰ প্ৰশাসনৰ উদ্যোগত প্ৰেছ দিৱস পালন কৰা হয়। ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ছপা আৰু বৈদ্যুতিন মাধ্যমৰ লগতে ৱেব মিডিয়াকে ধৰি সকলো সংবাদসেৱীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ জ্বলি উঠিছে মণিপুৰ, বিজেপি

ৰাজ্যখন। এটি ৮ বছৰীয়া, এটি আঢ়ৈ বছৰীয়া, এটি ১০ মহীয়া কেঁচুৱা আৰু তিনি মহিলাক অপহৰণ কৰি হত্যা কৰি নদীত মৃতদেহ পেলাই দিয়াৰ পাছতে পুনৰ জ্বলি উঠিছে মণিপুৰ। এইবাৰ ক্ষোভৰ অগণি আৰম্ভ হোৱাত বিজেপিৰ নেতা-বিধায়কক আক্ৰমণৰ লক্ষ্য কৰি লৈছে প্ৰতিবাদী জনতাই। কেঁচুৱা-কিশোৰীসহ ছয়গৰাকী লোকক হত্যাৰ পাছতে জনতাৰ ধৈৰ্য্যৰ বান্ধ ছিঙি যোৱাত উগ্ৰ হৈ পৰিছে জনতা। শনিবাৰৰ দিনটোত জনতাৰ ৰোষত পৰিছে বিজেপিৰ নেতা তথা বিধায়ক। উগ্ৰ জনতাৰ ৰূপ দেখি চৰকাৰে পুনৰ সান্ধ্য আইন আৰু ইণ্টাৰনেট সেৱা বাতিল কৰিছে। জিৰিবামৰ পৰা সন্ধানহীন হৈ থকা এটি ৮ বছৰীয়া, এটি আঢ়ৈ বছৰীয়া, এটি ১০ মহীয়া কেঁচুৱা আৰু তিনি মহিলাৰ মৃতদেহ উদ্ধাৰৰ বাতৰি বিয়পি পৰাৰ পিছতে বিজেপিৰ নেতা কৰ্মীক আক্ৰমণৰ লক্ষ্য কৰি লৈছে ৰাইজে। হাজাৰ হাজাৰ পুৰুষ-মহিলাই শনিবাৰৰ দিনটোত কেবাগৰাকী বিজেপিৰ বিধায়কৰ ঘৰত আক্ৰমণ কৰিছে। ইম্ফল চহৰৰ লগতে কেবাটাও এলেকাত প্ৰতিবাদকাৰীসকলে টায়াৰ জ্বলাই পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ সময়তে ভিৰ নিয়ন্ত্ৰণহীন হৈ পৰে। ৰাজপথত হাজাৰ হাজাৰ লোক ওলাই অহাত ইম্ফলত প্ৰতিবাদকাৰীক নিয়ন্ত্ৰণ কৰাত বিফল হয় আৰক্ষী-অৰ্ধসামৰিক বাহিনী। উগ্ৰ প্ৰতিবাগকাৰীয়ে বিজেপি বিধায়কসকলৰ ঘৰত আক্ৰমণ কৰি আচ-বাব লণ্ডভণ্ড কৰে। বিজেপি বিধায়ক আৰ.কে ইমো সিং, এল চুচিন্দ্ৰো মেইটেই, সপম কুঞ্জেকেশ্বৰ সিংৰ লগতে আন কেবাজনো বিধায়কক ভিৰে লক্ষ্য কৰি লয়। সেই সময়ত দুই এজম বিধায়ক আৱাসত আছিল যদিও নিৰাপত্তাৰক্ষীয়ে পিছ দুৱাৰেদি ৰাইদৰ আক্ৰোশৰ পৰা ৰক্ষা কৰে বুলি জানিব পাৰ গৈছে। তাৰ মাজতে দুই এজন বিধায়ক ঘৰত নাছিল যদিও ঘৰৰ আচ-বাব ভাঙি লণ্ড-ভণ্ড কৰে। কেবা ঘণ্টাৰ মূৰকত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। বিজেপি বিধায়ক তথা নেতাসকলৰ নিৰাপত্তা বৃদ্ধি কৰিব পাৰে জানিব পৰা গৈছে। কিয়নো হাজাৰ হাজাৰ মেইটে সম্প্ৰদায়ৰ লোক বৰ্তমানেও ইম্ফলৰ ৰাজপথত অৱস্থান গ্ৰহণ কৰি আছে। ইপিনে মণিপুৰৰ ৰাজধানী ইম্ফল পূব, ইম্ফল পশ্চিম আৰু বিষ্ণুপুৰ জিলাত অনিৰ্দিষ্টকালীন সান্ধ্য আইন জাৰি কৰা হৈছে। ইম্ফল পূব, ইম্ফল পশ্চিম, বিষ্ণুপুৰ, থৌবাল, কেচিং, কাংপোকপি, চুড়াচান্দপুৰ জিলাত ইণ্টাৰনেট আৰু ব্ৰডবেণ্ড আৰু ভিএছএ টি সেৱা দুদিনৰ বাবে বন্ধ ঘোষণা কৰা হৈছে। ইম্ফলত বিজেপি বিধায়কসকলৰ ঘৰতআক্ৰমণৰ পিছতে সান্ধ্য আইন জাৰি কৰাৰ লগতে ইণ্টাৰনেট সেৱা কৰ্তন কৰা হৈছে। মণিপুৰৰ জিৰিবামত ১১গৰাকী সন্দেহজনক উগ্ৰপন্থী নিহত হোৱাৰ পিছতে একেটা পৰিয়ালৰ এটি ৮ বছৰীয়া শিশু, এটি আঢ়ৈ বছৰীয়া শিশু, এটি ১০ মহীয়া কেঁচুৱা আৰু তিনিগৰাকী মহিলাক অপহৰণ কৰা হৈছিল। চাৰিদিন আগত উগ্ৰপন্থীয়ে ৰাজ্যখনৰ জিৰিবাম জিলাৰ বড়োবেক্ৰা আৰক্ষী থানাত আক্ৰমণ কৰাৰ কিছুসময় পাছতে কেঁচুৱা-শিশু তিনি আৰু তিনিগৰাকী মহিলাসহ মুঠ ছয়গৰাকী লোক নিৰুদ্দেশ হৈছিল। আৰক্ষী থানাত আক্ৰমণৰ পাছতে তেওঁলোকক বন্দী কৰি লৈ গৈছিল সন্দেহজনক উগ্ৰপন্থীয়ে। তেওঁলোক হৈছে য়ুমৰেম্বাম ৰাণী দেৱী (৬০), তেলেম থইবি দেৱী (৩১) তেওঁৰ জীয়ৰী তেলেম থাজামানবি দেৱী (৮), লাইশ্ৰাম হেইথোইবি দেৱী (২৫) আৰু তেওঁৰ দুই সন্তান লাইশ্ৰাম চিংখেইঙ্গানবা সিং (আঢ়ৈ বছৰীয়া) আৰু লাইশ্ৰাম লামংবা সিং (১০ মাহ)। ১২ নৱেম্বৰত জিৰিবামৰ জাকুৰহোত চিআৰপিএফ আৰু উগ্ৰপন্থীৰ মাজত সংঘৰ্ষ লগাত ১০ সন্দেহযুক্ত কুকি উগ্ৰপন্থী নিহত হৈছিল। তাৰ পাছতে পোতক তুলিবলৈ কুকি উগ্ৰপন্থী ছয়গৰাকী লোকক অপহৰণ কৰিছিল বুলি সন্দেহ কৰা হৈছিল। কেঁচুৱা-কিশোৰীসহ ছয় মহিলাক বন্দী কৰি লৈ যোৱাৰ অন্তত শুকুৰবাৰে তিনিটা আৰু আজি তিনিটা মৃতদেহ উদ্ধাৰ হয়। কেঁচুৱা আৰু মহিলা মৃতদেহ শিলচৰ চিকিৎসা মহাবিদ্যালয়ত ৰখা হৈছে। মণিপুৰ আৰক্ষীয়ে শিলচৰ চিকিৎসা মহাবিদ্যালয়ত মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে। অসম আৰক্ষীয়ে শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ আশে-পাশে নিৰাপত্তা ব্যৱস্থা কটকীয়া কৰিছে। চিআৰপিএফৰে সংঘৰ্ষত নিহত ১০ জনৰ মৃতদেহ শিলচৰ চিকিৎসা মহাবিদ্যালয়ত মৰ্গত ৰাখিছিল। মৃতদেহ মণিপুৰ আৰক্ষীৰ পৰিৱৰ্তে কুকিসকলক গতাই দিয়াৰ দাবীত শিলচৰত প্ৰতিবাদ কৰিছে শতাধিকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অ'চি ভাৰ্গৱৰ বিৰুদ্ধে এজাহাৰ দিলে

বৰবৰাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে জ্ঞানদীপ হাজৰিকাই। এজাহাৰ দাখিলৰ অন্তত তেওঁ কয়, "কালি দিনটোত যি হ'ল সেই লৈ মই বহুত প্ৰেছাৰত আছিলো। কালি কৈছিলো যে মই একো ভবা নাই। বহুত প্ৰেছাৰত আছিলো বাবে মই একো ডিচিছন দিব পৰা নাছিলো কালি। আজি পৰিয়ালৰ লোকৰ সৈতে, লগতে মোৰ বন্ধুবৰ্গৰ সৈতেও কথা পাতো। কথাটো ভালকৈ ভাবো আৰু কালি মোৰ সৈতে ঘটনা সংঘটিত কৰা আৰক্ষী বিষয়া ভাৰ্গৱ বৰবৰাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিবলৈ সিদ্ধান্ত লৈ এজাহাৰ দাখিল কৰিছো।" উল্লেখ্য যে, অ'চি ভাৰ্গৱ বৰবৰাৰ বিৰুদ্ধে ভুক্তভোগী জ্ঞানদীপ হাজৰিকা আৰু তেওঁৰ আৰক্ষীত কৰ্মৰত মাতৃয়ে কোনো কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰে বুলি ক'লেও ভিডিঅ'টো প্ৰত্যক্ষ কৰাৰ পিছত থিৰেৰে থাকিব পৰা নাছিল বহু সচেতন লোক। সেয়ে কেবাগৰাকী লোকে ইতিমধ্যে উক্ত ভিডিঅ'টোৰ ওপৰত ভিত্তি কৰি নিজাববীয়াকৈ অ'চিজনৰ বিৰুদ্ধে শনিবাৰে দিনৰ ভাগত গোচৰ ৰুজু কৰাৰ লগতে উৰ্ধতম কৰ্তৃপক্ষৰ ওচৰত অভিযোগ দাখিল কৰা দেখা গৈছে। ঘটনা সন্দৰ্ভত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন উপ-সভাপতি পলাশ ৰঞ্জন বৰুৱা আৰু সমাজকৰ্মী হিমাংশু গগৈয়ে পাণবজাৰ থানাত ভাৰতীয় ন্যায় সংহিতাৰ ১০৯/১৬৬/২৯৬/১২৭(২)/৩৫১ ধাৰাৰ অধীনত এজাহাৰ দাখিল কৰে। আনহাতে, ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ আৰু ৰাষ্ট্ৰীয় অনুসূচীত জাতি আয়োগৰ ওচৰতো অভিযোগ দাখিল কৰিছে ৰাইজৰ দলৰ নেতা ভৰেন সন্দিকৈয়ে। সন্দিকৈয়ে অভিযোগ দাখিল কৰি নিলম্বনৰ পৰিৱৰ্তে অভিযুক্ত আৰক্ষী বিষয়াজনক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰো দাবী জনাইছে নেতাগৰাকীয়ে। মাৰধৰৰ ঘটনাত জড়িত পাণবজাৰ থানাৰ অ'চি ভাৰ্গৱ বৰবৰাৰ বিৰুদ্ধে বোকাখাত আৰক্ষী থানাতো দাখিল কৰা হৈছে এজাহাৰ। বৃহত্তৰ কাজিৰঙা ভূমি আৰু মানৱাধিকাৰ সুৰক্ষা সমিতিৰ সভাপতি প্ৰণৱ দলেৰ লগতে সদৌ বোকাখাত ই-মটৰ শ্ৰমিক সন্থাৰ সম্পাদক ভাস্কৰ শইকীয়াই আৰক্ষী বিষয়াজনৰ বিৰুদ্ধে পৃথকে এজাহাৰ দাখিল কৰা বুলি জানিব পৰা গৈছে। ঘটনাটো সন্দৰ্ভত ভাৰতৰ ৰাষ্ট্ৰপতি আৰু অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগৰ অধ্যক্ষলৈ পৃথকে পৃথকে স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিয়ে। সংগঠনটোৰ সভাপতি সঞ্জীৱ দাসে জ্ঞানদীপ হাজৰিকাৰ ওপৰত আৰক্ষীয়ে সংঘটিত কৰা বৰ্বৰ আক্ৰমণৰ ঘটনাক গৰিহণা প্ৰদান কৰি অসমত বিগত কিছুদিন ধৰি অনুসূচিত জাতিৰ লোকৰ ওপৰত আক্ৰমণ বৃদ্ধি পোৱা বুলি দাবী কৰি শীঘ্ৰে এই ক্ষেত্ৰত ব্যৱস্থা ল'বলৈ অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগক আহ্বান জনায়। ফাঁচীবজাৰত শুকুৰবাৰে সন্ধিয়াৰ ভাগত সংঘটিত এই ঘটনাক লৈ ঝাৰখণ্ডতো দেখা গৈছে প্ৰতিক্ৰিয়া। মাইক্ৰ'ব্লগিং ৱেবছাইট 'এক্স'ত এক পোষ্ট কৰি ৰাজ্যখনৰ বৰ্তমান শাসনত থকা দল ঝাৰখণ্ড মুক্তি মৰ্চাই অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকো আক্ৰমণৰ লক্ষ্য কৰি লৈছে। শুকুৰবাৰৰ বৰ্বৰ ঘটনাটোৰ ভিডিঅ' শ্বেয়াৰ কৰি দলটোৱে লিখিছে, "হিমন্ত বিশ্ব শৰ্মাৰ শাসনকালত দুখীয়া হোৱাটোৱেই অপৰাধ হৈ পৰিছে। তাত ছুইগি-জমেটোৰ ডেলিভাৰী বয় হিচাপে কাম কৰাসকলক মানুহ হিচাপেই গণ্য কৰা নহয়। সৰু ভুল এটা কৰোতেই এই ভিডিঅ'টোত চাওক কেনেকৈ যুৱকজনক মৰিয়াই মৰিয়াই আৰক্ষীয়ে মাৰি পেলোৱাৰ ধমকি দিছে। যদিহে কোনোৱে ভুলতেও ইয়াৰ বিৰোধিতা কৰে তেন্তে তেওঁৰো এনে দশাই কৰে। বাবুলালক সেয়ে ইয়াতো নিৰ্বাচনী প্ৰচাৰৰ চেহেৰা কৰা হৈছে যাতে, অসমত বহি বহিয়েই ঝাৰখণ্ডত তালিবানী শাসন চলাব পাৰে।"

# কোকৰাঝাৰত বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস



**ই-সংবাদ, কোকৰাঝাৰ, ১৬ নৱেম্বৰঃ** বড়ো সাহিত্য সভাৰ কোকৰাঝাৰ প্ৰাইমাৰী কমিটিৰ উদ্যোগত বড়ো সাহিত্য সভাৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি কোকৰাঝাৰত উদযাপন কৰা হয়। ইয়াৰোপৰি বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসৰ সতে সংগতি ৰাখি কোকৰাঝাৰ প্ৰাইমাৰী বড়ো সাহিত্য সভাৰ কাৰ্যালয়তে কোকৰাঝাৰ প্ৰাইমাৰী বড়ো সাহিত্য সভাৰ ৩৪ সংখ্যক অধিবেশন অনুষ্ঠিত কৰা হয়। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৮-৩০ বজাত সংগঠনৰ পতাকা উত্তোলনেৰে প্ৰতিষ্ঠা দিৱস আৰু অধিবেশনৰ দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে কোকৰাঝাৰ প্ৰাইমাৰী বড়ো সাহিত্য সভাৰ সভাপতি সুপেন চন্দ্ৰ ব্ৰহ্মই। কাৰ্যসূচী অনুসৰি শ্বহীদ তৰ্পণ কৰে কোকৰাঝাৰ প্ৰাইমাৰী বড়ো সাহিত্য সভাৰ উপসভাপতি সাবেন্দ্ৰ ব্ৰহ্মই। ইয়াৰ পিছতে পুৱা ৯- ৪৫ বজাত বড়ো সাহিত্য সভাৰ প্ৰাইমাৰী কাৰ্যালয়ৰ পৰা এক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে বড়ো সাহিত্য সভাৰ প্ৰাইমাৰী কোকৰাঝাৰ কমিটিৰ প্ৰাক্তন সভাপতি প্ৰাণনাথ বসুমতাৰীয়ে। শোভাযাত্ৰাত বিভিন্ন বিদ্যালয়ৰ সহস্ৰাধিক ছাত্ৰ ছাত্ৰীৰ লগতে বড়ো সাহিত্য সভাৰ নেতৃবৃন্দ আৰু কৰ্মীয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, বড়ো সাহিত সভাৰ প্ৰতিষ্ঠা দিৱস আৰু কোকৰাঝাৰ প্ৰাইমাৰী বড়ো সাহিত্য সভাৰ অধিবেশনৰ সতে সংগতি ৰাখি আজি পুৱাৰ ভাগত কোকৰাঝাৰৰ বিভিন্ন গাঁৱতো সজাগতা ৰেলী উলিওৱা হয়।

# মৰিগাঁৱত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসত সাংবাদিক নজৰুল, লক্ষ্যজ্যোতিক সম্বৰ্ধনা

**ই-সংবাদ, মৰিগাঁও, ১৬ নৱেম্বৰঃ** মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সহযোগত আজি মৰিগাঁৱত বিস্তৃত কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হয়। মৰিগাঁও চহৰৰ পবিতৰা হাট প্ৰেক্ষাগৃহত অনুষ্ঠিত এই ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পুৱাৰ ভাগত বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সম্পাদক, জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মাই। ইয়াৰ পিছতে স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ উপ-সভাপতি কল্পতৰু চৌধুৰীয়ে। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি 'সংবাদ মাধ্যমৰ পৰিৱৰ্তিত ৰূপ' শীৰ্ষক এখন মুকলি সভা অনুষ্ঠিত কৰা হয়। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই মুকলি সভাখন উদ্বোধন কৰে জনসংযোগ বিভাগৰ দায়িত্বত থকা মৰিগাঁৱৰ অতিৰিক্ত জিলা আয়ুক্ত ড০ সংগীতা বৰঠাকুৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক তথা অধিবক্তা বুবুমণি গোস্বামীয়ে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ তাৎপৰ্য বাখ্যা কৰে। তেওঁ ভাষণ প্ৰসংগত সংবাদ কৰ্মীসকলক মালিক পক্ষই কৰি অহা শোষণ, শাসক-বিৰোধীৰ নিৰ্যাতন আৰু সাংবাদিকসকলৰ বিভিন্ন সমস্যাৱলীৰ ওপৰত তথ্য ভিত্তিক বৰ্ণনা দাঙি ধৰে। সভাত বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰি মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি, জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকাই কয় যে পৃথিৱীৰ জীৱন্ত গণতন্ত্ৰৰ প্ৰতীক হৈছে ভাৰতবৰ্ষ। এই দেশৰ সংবিধানখন বহুবাৰ সংশোধন হৈছে। দেশৰ ৰাজনীতি, অৰ্থনীতিৰ বহু পৰিৱৰ্তন হৈছে। ইয়াৰ সমান্তৰালকৈ সংবাদ মাধ্যমৰ পৰিৱৰ্তন হোৱাটো স্বাভাৱিক কথা। শেহতীয়াকৈ কৃত্ৰিম বুদ্ধিমত্তাইও সংবাদ মাধ্যমত আমূল পৰিৱৰ্তন অনা বুলি তেওঁ মন্তব্য কৰে। সভাত উপস্থিত থাকি মৰিগাঁৱৰ আৰক্ষী অধীক্ষ হেমন্ত কুমাৰ দাসে অতিৰঞ্জিত খবৰ অথবা বাতৰিয়ে সকলোকে বিপদত পেলায় বুলি উল্লেখ কৰি এনে অতিৰঞ্জিত বাতৰিয়ে বিশেষকৈ আৰক্ষী আৰু জনসাধাৰণক বহুসময়ত সন্দিহান কৰে বুলি মন্তব্য কৰে। সভাত অংশগ্ৰহণ কৰি মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই সততা, সাহসিকতা, শুদ্ধতা আৰু সমকালীন চিন্তাই এক সুস্থ সাংবাদিকতা গঢ়ি তোলে বুলি মন্তব্য কৰে। দেশৰ পৰিৱৰ্তনত সংবাদ মাধ্যমৰ ভূমিকা অপৰিসীম বুলিও তেওঁ উল্লেখ কৰে। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সম্পাদক জিতুমণি নাথে আঁত ধৰা এই গাম্ভীৰ্যপূৰ্ণ সভাখনিত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি, জ্যেষ্ঠ সাংবাদিক ক্ৰমে উপেন চন্দ্ৰ ডেকা, মহেন্দ্ৰনাথ হাজৰিকা, জগদীশ নাথ আৰু জাকিৰ হুছেইনে আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে। সভাত মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়া, প্ৰাক্তন বিধায়ক হৰেন্দ্ৰ বৰা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক বাবুল বৰা, বিশিষ্ট নাগৰিক ঘনকান্ত বৰা, প্ৰদীপ পৰাশৰ, নুৰ মহম্মদ, গম্ভীৰ মেধি প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই সভাতে জিলাখনৰ দুই জ্যেষ্ঠ সাংবাদিক ক্ৰমে মৰিগাঁৱৰ লক্ষজ্যোতি নাথ আৰু মায়ঙৰ নজৰুল ইছলামক শৰাই, গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সভাত বৰগীত পৰিৱেশন কৰে মৌমিন ডেকাই।

# ছিপাঝাৰ ইলেকট্ৰনিক মিডিয়া এছ'চিয়েচনৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন

**ই-সংবাদ, ছিপাঝাৰ, ১৬ নৱেম্বৰঃ** সমগ্ৰ দেশৰ লগতে আজি ছিপাঝাৰতো ইলেক্ট্ৰ'নিক মিডিয়া এছ'চিয়েচনৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হয়। ইয়াৰ দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানটিৰ কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত গছপুলি ৰোপণৰ পিছতে ছিপাঝাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৰোগীসকলক মহকুমা স্বাস্থ্য বিষয়াৰ জৰিয়তে ফল-মূল বিতৰণ কৰা হয়। ইয়াৰ পিছত ১১ বজাত বন্তি প্ৰজ্বলন কৰে ছিপাঝাৰ প্ৰেছ গীল্ডৰ প্ৰাক্তন সম্পাদক নৰ কুমাৰ শইকীয়াই। ছিপাঝাৰ প্ৰেছ গীল্ডৰ সভাপতি গগন কুমাৰ নাথৰ সঞ্চালনাত অনুষ্ঠিত বিশেষ সভাত বিশিষ্ট বক্তা হিচাপে উপস্থিত থাকি দৌৰংগ বাৰ্তাৰ সম্পাদক শংকৰ কাকতি আৰু 'আচাম ৰাইজিং' কাকতৰ ছিপাঝাৰৰ প্ৰতিবেদক পৱন কুমাৰ কলিতাই ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ বিষয়ে তথ্যপূৰ্ণ সাৱলীল বক্তব্য প্ৰদান কৰে। একেদৰে আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ সভাপতি কুলেন্দ্ৰ নাথ ডেকা, ছিপাঝাৰৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশী আৰু ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যাপক ড০ প্ৰসন্ন কুমাৰ নাথে সাংবাদিক আৰু সাংবাদিকতা সম্পৰ্কে চমু বক্তব্য আগবঢ়ায়। ছিপাঝাৰ ইলেক্ট্ৰ'নিক মিডিয়া এছ'চিয়েচনৰ সম্পাদক জিতুমণি ভূঞাই আঁত ধৰা অনুষ্ঠানটিত প্ৰাক্তন সাংবাদিক হিমাংশু ৰঞ্জন নাথ আৰু অক্ষয় কুমাৰ নাথক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত উপস্থিত থকা সাংবাদিক তথা কৃতী শিক্ষক এম হাফিজ আলী, ছাত্ৰ নেতা চুমন বৰদলৈকে ধৰি ভালেকেইগৰাকী ব্যক্তিয়ে চমু বক্তব্য আগবঢ়োৱাৰ লগতে সাংবাদিকসকলক শুভেচ্ছা জনায়। অনুষ্ঠানটিত আকাশবাণীৰ ঘোষিকা প্ৰজন্মা চহৰীয়াই কবিতা আবৃত্তি, কংকনা শৰ্মাই গীত, সাংবাদিক হেমচন্দনৰ বাঁহী বাদনে সকলোকে আপ্লুত কৰে।

# ৰাইডাং বাগিচাৰ পৰিচালকক দুৰ্বৃত্তৰ আক্ৰমণ

**ই-সংবাদ, ডুমডুমা, ১৬ নৱেম্বৰঃ** ডুমডুমা নগৰৰ সমীপৰ তথা এম কে শ্বাহ এক্সপৰ্ট লিমিটেডৰ অধীনস্থ ৰাইডাং চাহ বাগিচাৰ সহঃ পৰিচালক ৰাজীৱ থাপাক শুকুৰবাৰৰ নিশা কোনো দুৰ্বৃত্তই আক্ৰমণ কৰাক লৈ বাগিচাখনৰ চাহ শ্ৰমিকসকল সৰৱ হৈ পৰাৰ লগতে দুৰ্বৃত্তক কৰায়ত্ত কৰি কঠোৰ শাস্তি প্ৰদানৰ দাবীত বাগিচাখনৰ দুই শতাধিক চাহ শ্ৰমিকে আজি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডুমডুমাৰ সমীপৰ হাঁহচৰাত পথ অৱৰোধ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। অৱৰোধৰ সময়ত শ্ৰমিকসকলে মেনেজাৰৰ ওপৰত অত্যাচাৰ চলোৱা বন্ধ কৰক, বাগিচাত গুণ্ডাগিৰি নচলিব, ডুমডুমা পুলিচৰ কাম নাই, দুৰ্বৃত্তক আটক কৰক, ঘটনাৰ উচিত তদন্ত কৰক, দোষীক আটক কৰি কঠোৰ শাস্তি প্ৰদান কৰক- ইত্যাদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। অৱৰোধৰ ফলত বহু সময়লৈ ঘাইপথত শ শ যান-বাহন আৱদ্ধ হৈ পৰে। পৰৱৰ্তী সময়ত স্থানীয় আৰক্ষীৰ লগতে প্ৰশাসনিক বিষয়া উপস্থিত হৈ উক্ত ঘটনাৰ উচিত তদন্ত কৰি দোষীক উপযুক্ত শাস্তি প্ৰদানৰ আশ্বাস দিয়াত প্ৰতিবাদকাৰীসকলে নিজৰ দাবীসমূহ উল্লেখ কৰি পথ অৱৰোধ উঠাই লয়। উল্লেখ্য যে, বাগিচাখনৰ পৰিচালকগৰাকীয়ে কালি নিশা বাগিচাৰ পৰা বঙলাৰ অভিমুখে আহি থকা অৱস্থাত কোনো অচিনাক্ত দুৰ্বৃত্তই আক্ৰমণ কৰিছিল পৰিচালকগৰাকীক।

# প্ৰেছ দিৱসত সাংবাদিকক সম্বৰ্ধনা বাস্কা আছুৰ

**ই-সংবাদ, মুছলপুৰ, ১৬ নৱেম্বৰঃ** আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। মুক্ত আৰু দায়বদ্ধ সংবাদ আৰু সাংবাদিকতাৰ স্বাৰ্থত পালন কৰা ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে বাস্কা আঞ্চলিক ছাত্ৰ সন্থাই মুছলপুৰস্থিত শ্বহীদ ভৱনত সন্ধিয়া আয়োজন কৰে সাংবাদিক সম্বৰ্ধনা কাৰ্যসূচী। বাস্কা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মনোজ হালৈয়ে আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত মুছলপুৰৰ চাৰিগৰাকী সাংবাদিক ক্ৰমে নিকুঞ্জ কলিতা, নীৰেণ কুমাৰ শৰ্মা, দেৱজিৎ নাথ আৰু জিন্টুমণি দাসক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত উপস্থিত থাকি বাস্কা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুৱজিৎ তালুকদাৰে নিকা সাংবাদিকতাৰ পক্ষপাতী হ'বলৈ প্ৰতিগৰাকী সংবাদকৰ্মীক আহ্বান জনায়। সম্পাদক মনোজ হালৈয়েও গণতন্ত্ৰৰ অতন্ত্ৰ প্ৰহৰী স্বৰূপ সকলো সংবাদকৰ্মীৰে সু-স্বাস্থ্য কামনা কৰে। আজিৰ অনুষ্ঠানত বাস্কা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুৱজিৎ তালুকদাৰ, সম্পাদক মনোজ হালৈৰ উপৰি সহকাৰী সাধাৰণ সম্পাদক জয়ন্ত কলিতা, মনয়ন মদাহি উপস্থিত থাকে।

# শদিয়াত স্থাপন অসম গেছ কোম্পানীৰ চিএনজি ষ্টেচন

**ই-সংবাদ, ডুমডুমা, ১৬ নৱেম্বৰ:** দুলীয়াজানস্থিত অসম গেচ কোম্পানীৰ উদ্যোগত আজি তিনিচুকীয়া জিলাৰ শদিয়াত প্ৰথমটো চি এন জি ষ্টেচন মুকলি কৰা হ'য়। ইণ্ডিয়ান অইল কৰ্পোৰেচন লিমিটেডৰ সহযোগত আই অ চি এল ৰ অধীনস্থ শদিয়াৰ সদৰ চপাখোৱা মেডিকেল তিনিআলি সমীপৰ শদিয়া অট' এজেন্সী ডিপোত এ জি চি এল ৰ এই চি এন জি ষ্টেচনটো আজি পুৱা ১০ বজাত ফিটা কাটি আনুষ্ঠানিকভাৱে মুকলি কৰে এ জি চি এলৰ অধ্যক্ষ তথা ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক বলীন চেতিয়াই। তিনিচুকীয়া জিলাৰ প্ৰথমটো চি এন জি ষ্টেচন মুকলি কৰি বিধায়ক চেতিয়াই কয় যে ৰাজ্যখনৰ বিভিন্ন স্থানত চি এন জি ষ্টেচনৰ সংখ্যা বৃদ্ধি কৰিব পৰাতো অসম গেচ কোম্পানীৰ এক বৃহৎ সফলতা। তেখেতে চি এন জি ষ্টেচনৰ বিভিন্ন সুবিধাৰ কথা উল্লেখ কৰি লগতে কয় যে এই চি এন জি ইন্ধন নিবনুৱা বহু যুৱকৰ বাবে আশীবাৰ্দস্বৰূপ। কাৰণ, অন্যান্য পেট্ৰ'ল-ডিজেল আদি ইন্ধনতকৈ চি এন জিৰ মূল্য কম আৰু যাৰ বাবে ব্যৱসায়িক ভিত্তিত গাড়ী চলাই জীৱিকা নিৰ্বাহ কৰা যুৱকসকলৰ বাবে এই চি এন জি ইন্ধন যথেষ্ট সহায়ক তথা সুবিধাজনক হ'ব। অধ্যক্ষ চেতিয়াই অচিৰেই শদিয়াত অসম গেচ কোম্পানীৰ এটা গেছ সংৰক্ষণ ষ্টেচন স্থাপন হ'ব বুলি ঘোষণা কৰি উক্ত ষ্টেচনটি মুকলি হোৱাৰ পাছত শদিয়াৰ প্ৰায় ১০০০ বাসিন্দাৰ ঘৰত পাইপযোগে প্ৰাকৃতিক গেছ যোগান ধৰা হ'ব বুলি উল্লেখ কৰে। অধ্যক্ষগৰাকীয়ে লগতে উপস্থিত ৰাইজক কম প্ৰদূষণযুক্ত এই চি এন জি ইন্ধন চালিত বাহন ক্ৰয় কৰিবলৈ অনুৰোধ কৰি দেশৰ বিভিন্ন অট' কোম্পানীবিলাকে চি এন জি ইন্ধন চালিত বাহন ক্ৰয় কৰিলে গ্ৰাহকক ২০,০০০ টকালৈকে ৰেহাই দিয়াৰ কথাও উল্লেখ কৰে। অনুষ্ঠানত অসম গেচ কোম্পানীৰ পৰিচালন সঞ্চালক গকুল চন্দ্ৰ স্বৰ্গীয়াৰী উপস্থিত থাকি কয় যে সৰ্বসাধাৰণ ৰাইজে যাতে প্ৰাকৃতিক গেছৰ সুবিধা লাভ কৰে তাৰ প্ৰতি লক্ষ্য ৰাখি গেছ সংযোগৰ মূল্য যথেষ্ট কম কৰা হৈছে। অসম চৰকাৰৰ উদ্যোগ বিভাগৰ তৎপৰতাত আগবাঢ়ি যাবলৈ সক্ষম হোৱা গেচ কোম্পানীয়ে অচিৰেই ৰাজ্য খনৰ বিভিন্ন জিলাত এশতকৈও অধিক চি এন জি ষ্টেচন প্ৰতিষ্ঠা কৰিব বুলিও আজি সদৰী কৰে। আজিৰ অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ ডাম্বুক বিধানসভা সমষ্টিৰ বিধায়ক পুন্য আপুন উপস্থিত থাকি অসম গেচ কোম্পানীৰ এই পদক্ষেপ তথা ব্যৱসায়িক সফলতাৰ বাবে গেচ কোম্পানীৰ বিষয়া কৰ্মচাৰী সকলক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে প্ৰাকৃতিক গেছৰ বিভিন্ন সুবিধা সমূহৰ বিষয়ে উপস্থিত ৰাইজক অৱগত কৰে। অনুষ্ঠানটোত অসম গেচ কোম্পানীৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈয়ে নিজৰ ভাষণত কয় যে চি এন জি ৰিটেল আউতলেট প্ৰতিষ্ঠাৰ বাবে ইতিমধ্যে অসম গেছ কোম্পানীয়ে IOCL, HPCL আৰু BPCL ৰ লগত এক বুজাবুজি চুক্তিও স্বাক্ষৰ কৰিছে। ইয়াৰোপৰি অসম গেচ কোম্পানীয়ে অসমৰ উপৰি চুবুৰীয়া ৰাজ্য মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু মণিপুৰত পেট্ৰল, ডিজেলৰ লগতে চি এন জি ইন্ধনৰ কেইবাটাও ডিপো স্থাপন কৰিবলৈ ভাৰত চৰকাৰৰ পেট্ৰোলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ পৰা অনুমতি লাভ কৰিছে বুলিও অৱগত কৰে। সভাত শদিয়া সম-জিলা আয়ুক্ত মানসজ্যোতি নাথে সেউজ ইন্ধনৰ গুণাগুণৰ কথা উল্লেখ কৰে।



**পুৰণিগুদাম আঞ্চলিক ৰাসোৎসৱৰ মহাৰজত জয়ন্তী বৰ্ষ উদযাপনৰ এটি মুহূৰ্ত, ফটোঃ ই-সংবাদ, পুৰণিগুদাম**

# ৰাষ্ট্ৰপতিলৈ স্মাৰক পত্ৰ প্ৰেৰণ অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ

**ই-সংবাদ, ১৬ নৱেম্বৰঃ** কটনৰ ছাত্ৰ জ্ঞানদীপ হাজৰিকাক পাণবজাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাৰ্গৱ বৰবৰাই বৰ্বৰভাৱে প্ৰহাৰ কৰাৰ পাছতে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। অসমত অনুসূচিত জাতিৰ লোকৰ ওপৰত আক্ৰমণ বৃদ্ধি পোৱাৰ অভিযোগ উত্থাপন কৰিছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। সংগঠনটোৱে কটনৰ ছাত্ৰ জ্ঞানদীপ হাজৰিকাৰ ওপৰত আৰক্ষীয়ে সংঘটিত কৰা বৰ্বৰ আক্ৰমণৰ ঘটনাক গৰিহণা দি অসমত বিগত কিছুদিন ধৰি অনুসূচিত জাতিৰ লোকৰ ওপৰত আক্ৰমণ বৃদ্ধি পোৱা বুলি দাবী কৰিছে। সংগঠনটোৱে পৃথকে পৃথকে স্মাৰক পত্ৰ প্ৰদান কৰি শীঘ্ৰে ব্যৱস্থা ল'বলৈ দাবী জনাইছে ভাৰতৰ ৰাষ্ট্ৰপতি আৰু অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগৰ অধ্যক্ষক। সংগঠনটোৰ সভাপতি সঞ্জীৱ দাসে কয় যে অসমত শেহতীয়াকৈ অনুসূচিত জাতিৰ লোকৰ ওপৰত আক্ৰমণ বৃদ্ধি পাইছে। সেয়ে ৰাষ্ট্ৰপতি আৰু অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগৰ অধ্যক্ষক এই বিষয়ত অৱগত কৰি শীঘ্ৰে ব্যৱস্থা ল'বলৈ দাবী জনাইছো। অনুসূচিত জাতিৰ লোকৰ ওপৰত আক্ৰমণ বৃদ্ধি পোৱা বিষয়টোক গুৰুত্বসহকাৰে ল'বলৈকো দাবী জনাইছে। বিশেষকৈ ১৫ নৱেম্বৰত জমেটত ডেলিভাৰী বয় ৰূপে কৰ্মৰত অনুসূচিত জাতিৰ যুৱক জ্ঞানদীপ হাজৰিকাক ৰাজহুৱা স্থানত হত্যাৰ প্ৰয়াস কৰা আৰক্ষী বিষয়া ভাৰ্গৱ বৰবৰাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনায় অনুসূচিত জাতিৰ হকে মাত মাতি অহা সংগঠনটোৱে।

# ৰঙিয়াৰ বৰ্ধিত যান-জঁটক লৈ পৌৰসভা কৰ্তৃপক্ষৰ উদ্যোগত নাগৰিক সভা

**ই-সংবাদ, ৰঙিয়া, ১৬ নৱেম্বৰঃ** ৰঙিয়া নগৰত ক্ৰমবৰ্ধিত যান-জঁটৰ সমস্যাই তীব্ৰ ৰূপ ধাৰণ কৰিছে। যান-বাহন নীতি-নিয়মক জলাঞ্জলি দি আহিছে একাংশ চালক তথা বাহনৰগৰাকীয়ে। ভূতৰ ওপৰত দানহ পৰাদি নগৰখনত ক্ৰমবৰ্ধিত ই-ৰিক্সাৰ সংখ্যাই শলঠেকত পেলাইছে স্কুলীয়া ছাত্ৰ-ছাত্ৰীকে ধৰি সৰ্বসাধাৰণ পথাচাৰীক। উদণ্ড চালকৰ নিয়ন্ত্ৰণহীনতাৰ পৰিণতিত অকাল মৃত্যুৰ বলি হৈছে বহুজন। জনবহুল নগৰখনত যান-জঁটৰ সমস্যাই ভয়াৱহ ৰূপ লোৱাৰ সময়তে ৰঙিয়া পৌৰসভা কৰ্তৃপক্ষই সমাধানৰ লক্ষ্যৰে গ্ৰহণ কৰে বিশেষ উদ্যোগ। যান-জঁটৰ সমস্যাৰ সমাধান কল্পে শনিবাৰে পৌৰসভা কাৰ্যালয়ত অনুষ্ঠিত কৰা হয় বিশাল নাগৰিক সভা। পৌৰপতি অমৰেন্দ্ৰ লহকৰৰ সঞ্চালনাত বিয়লিৰ ভাগত অনুষ্ঠিত সভাত ৰঙিয়া সমজিলা আয়ুক্ত দেৱাশীষ গোস্বামীয়ে অংশগ্ৰহণ কৰি নগৰখনত ক্ৰমবৰ্ধিত যান-জঁটৰ সমস্যাৰ প্ৰকৃত কাৰণ সন্দৰ্ভত বুজ লয়। উপ-পৌৰপতি বিদ্যুৎ ডেকাই আঁত ধৰা সভাত মহকুমা আৰক্ষী বিষয়া বিশ্বজিৎ ডেকা, ৰাজহ চক্ৰ বিষয়া দেৱাশীষ বৰঠাকুৰ, ৰঙিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অজয় বৰ্মন প্ৰমুখ্যে প্ৰশাসনীয় বিষয়া বৰ্গও উপস্থিত থাকি মন্তব্য আগবঢ়ায়। আনহাতে, গুৰুত্বপূৰ্ণ সভাখনত নৰেন্দ্ৰ শৰ্মা, পবিন কলিতা, আব্দুল জব্বৰ প্ৰমুখ্যে কেবাগৰাকী জ্যেষ্ঠ নাগৰিকে অংশগ্ৰহণ কৰি যান-জঁটৰ সমস্যা সমাধানৰ লক্ষ্যৰে পৰামৰ্শ আগবঢ়ায়। সুবল পাল, দীনেশ মহন্ত, সুৰভী লহকৰকে ধৰি আন ভালেসংখ্যক সমাজ সচেতন ব্যক্তিয়ে পৌৰসভাৰ শলাগ লয়।



মাজুলীত অনুষ্ঠিত ৰাস মহোৎসৱৰ মাজুলী মিলন সংঘৰ কংসালয়ৰ এক দৃশ্য, ফটোঃ পৰাণজ্যোতি, মাজুলী

## অসম ৰাজ্যিক সাংবাদিক সন্থাৰ উদ্যোগত দিনজোৰা কাৰ্যসূচী

# বটদ্ৰৱাত কেন্দ্ৰীয়ভাৱে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন

**ই-সংবাদ, বেবেজীয়া, ১৬ নৱেম্বৰঃ** নগাঁও জিলাৰ বটদ্ৰৱাত শনিবাৰে অসম ৰাজ্যিক সাংবাদিক সন্থাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসটি দিনজোৰা কাৰ্যক্ৰমণিকাৰে পালন কৰা হয়। বটদ্ৰৱা শ্ৰী শ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এই প্ৰেছ দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত বন্তি প্ৰজ্বলন, সাংবাদিকসকলৰ চিনাকি পৰ্ব, ছাত্ৰ-ছাত্ৰীৰ মাজত বক্তৃতা আৰু প্ৰশ্নোত্তৰ প্ৰতিযোগিতাৰ লগতে মত বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বিয়লি অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱাৰ সঞ্চালনাত 'সাংবাদিকতাৰ ইতিহাস, বৰ্তমান আৰু নিৰাপত্তাহীন ভৱিষ্যত' শীৰ্ষক বিষয়ৰ ওপৰত এখনি আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। আলোচনাচক্ৰত মুখ্য অতিথি হিচাপে ইণ্ডিয়ান জাৰ্নেলিষ্ট ইউনিয়নৰ ৰাষ্ট্ৰীয় সম্পাদক ৰাতুল বৰা উপস্থিত থকাৰ বিপৰীতে আলোচক হিচাপে উপস্থিত থাকে ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ বিমান হাজৰিকা, কটহগুৰি কনিষ্ঠ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰবক্তা ড০ আশ্ৰফ ওৱাহিদ আৰু ইংৰাজী দৈনিক কাকত দ্যা আছাম ৰাইজিঙৰ কাৰ্যবাহী সম্পাদক দুলাল মিশ্ৰ। উক্ত অনুষ্ঠানতেই টুকটুকী প্ৰেছ ক্লাবৰ সভাপতি জালাল উদ্দিন আহমেদৰ লগতে জ্যেষ্ঠ সাংবাদিকদ্বয় ডুমডুমীয়াৰ ছাইফুল ইছলাম আৰু ধিঙৰ ৰাজীৱ নেওগক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। এই ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচীত অসম ৰাজ্যিক সাংবাদিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ লগতে আন ২৩ খন জিলা সমিতিৰ একাংশ বিষয়ববীয়াৰ লগতে শ্ৰী শ্ৰী শংকৰদেৱ মহাবিদ্যালয় আৰু কটহগুৰি কনিষ্ঠ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# হাতীচোঙৰ ডেৰ কুৰিৰো অধিক স্থানত উদযাপন ৰাস মহোৎসৱ

**ই-সংবাদ, বেবেজীয়া, ১৬ নৱেম্বৰঃ** প্ৰতি বছৰে শৰৎ কালৰ পূৰ্ণিমা তিথিত ৰাজ্যজুৰি উদযাপন কৰা হয় ৰাস মহোৎসৱ। শৰতৰ পূৰ্ণিমাৰ নিশা বিতোপন হৈ পৰে ৰাজ্যৰ চৌপাশ। এইবাৰো শুকুৰবাৰৰ পৰা সমগ্ৰ ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উদযাপন কৰা হৈছে ৰাস মহোৎসৱ। সেয়ে কেৱল শ্ৰীকৃষ্ণৰ বন্দনাৰে দ্বিতীয় বৈকুণ্ঠপুৰীলৈ পৰিণত হৈ পৰিছে ৰাজ্যৰ চৌদিশ। তদ্ৰূপ এনে এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হৈছে মধ্য অসমৰ নগাঁও জিলাতো। ঘাইকৈ জিলাখনৰ বৃহত্তৰ হাতীচোং মৌজাত দেখা গৈছে ৰাস উৎসৱকেন্দ্ৰিক ওখল-মাখল পৰিৱেশ। আচলতে, বছৰ বছৰ ধৰি পৰম্পৰাগতভাৱো ওলহ-মালহেৰে উদযাপন কৰি অহা বৃহত্তৰ হাতীচোং মৌজাৰ ঐতিহাসিক ৰাস মহোৎসৱে পূৰ্বৰে পৰা সৰ্বস্তৰৰ ৰাইজৰ বিশেষ সমাদৰ লাভ কৰি আহিছে। শৰতৰ অতি বিতোপন পূৰ্ণিমাৰ নিশা চল্লিশ দশকৰ পৰা নিৰৱচ্ছিন্নভাৱে মৌজাটোৰ বিভিন্ন স্থানত মহা ধুমধামেৰে অনুষ্ঠিত কৰি অহা ৰাসলীলা চাবলৈ নগাঁও আৰু মৰিগাঁও জিলাৰ উপৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ জনতাই ৰাসথলীসমূহ একপ্ৰকাৰে সমন্বয় ক্ষেত্ৰত পৰিণত কৰি তোলে। ঘাইকৈ এই ৰাস মহোৎসৱবোৰত প্ৰদৰ্শিত হোৱা ছোৱালীৰ ৰাসে আজিও দৰ্শকক আকৰ্ষিত কৰি আহিছে। প্ৰকাশ যে, শ্ৰী কৃষ্ণৰ জন্মৰ পৰা কালীয় দমন, পুতনা বধ, লৱণু চোৰ, বকাসুৰ বধ আদিকে ধৰি কৃষ্ণলীলাবোৰ কণ কণ শিশুৰ দ্বাৰা আৰু শংখচূড় বধ পৰ্যন্ত ৰাসক্ৰীড়াসমূহ যুৱতীৰ দ্বাৰা কেৱল সু-সৰ্জ্জিত মঞ্চত মনোমোহা নৃত্য-গীতেৰে পৰিৱেশন কৰা "কেলী গোপাল" অংকীয়া নাটখন চাবলৈ জনতাৰ লানি নিচিগা সোঁত বয়। ইয়াৰ ভিতৰত বিশেষ কাৰিকৰী কৌশলেৰে প্ৰদৰ্শন কৰা "কালীয় দমন"ৰ দৃশ্যটিয়ে সদায়েই দৰ্শকৰ মাজত ব্যাপক আলোড়নৰ সৃষ্টি কৰি আহিছে। উল্লেখ্য যে, বৰ্তমান অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে সবাকে ম্ৰিয়মান কৰি ৰাখিলেও হাতীচোং মৌজাবাসী ৰাইজে পূৰ্বৰ পৰম্পৰা তথা অসমীয়া সংস্কৃতি ৰক্ষাৰ্থে এইবেলিও



পৃথকে পৃথকে ৰাস মহোৎসৱ মৌজাটোৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত কৰিছে। তদনুযায়ী ৰাসথলীবোৰত একপ্ৰকাৰে উদুলি-মুদুলি পৰিৱেশৰ উদ্ভৱ হোৱাৰ লগতে সৰ্বত্ৰে উছাহৰ ঢল বিয়পি পৰা দেখা গৈছে। এইবাৰ মৌজাটোৰ চকলাঘাট, মাজগাঁও, ৰাইদঙীয়া, জাজৰি, নসত্ৰ, আইভেটী, নমাটি, কাকমাৰী, শিমলুতল, কুজিদাহঁ, কমাৰচুক, জামুগুৰি, খালৈগাঁও, বেলতল, বগৰিগুৰি, উলুবাৰী, বেজৰচুক, ৰজাগাঁও, কুৰুৱাবাহী আদিকে প্ৰমুখ্য কৰি প্ৰায় ডেৰ কুৰিৰো অধিক স্থানত দুইৰ পৰা তিনিদিনীয়াকৈ ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে অনুষ্ঠিত হৈছে ৰাস মহোৎসৱ।

# তৈলক্ষেত্ৰ গণস্বাৰ্থ সুৰক্ষা সমিতিৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**ই-সংবাদ, ডুমডুমা, ১৬ নৱেম্বৰঃ** তৈলক্ষেত্ৰ গণস্বাৰ্থ সুৰক্ষা সমিতি(উত্তৰ-পূৰ্বাঞ্চল)ৰ তিনিচুকীয়া জিলা সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা আজি উদ্যোগ নগৰী মাকুমৰ বনমালী শইকীয়া ভৱনত অনুষ্ঠিত হৈ যায়। তিনিচুকীয়া জিলা সমিতিৰ সভাপতি অজিত বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাত সদ্যগঠিত সমিতিখনৰ খালী হৈ থকা পদসমূহ পূৰণ কৰা হয়। সভাত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ ভিতৰত তিনিচুকীয়া জিলা সমিতিয়ে তৈলক্ষেত্ৰ অধ্যুষিত এলেকাসমূহত শাখা সমিতি গঠন কৰা, অইল ইণ্ডিয়া লিমিটেডৰ ঠিকাদাৰী কোম্পানী উডলেণ্ড প্ৰাইভেট লিমিটেডৰ থলুৱা বিৰোধী নীতিৰ প্ৰতিবাদত কোম্পানীটোৰ লগত জড়িত সকলো ধৰণৰ কাম-কাজ বন্ধ কাৰ্যসূচী গ্ৰহণ কৰা, তিনিচুকীয়া জিলা সমিতিৰ সাংগঠনিক ভেটি সুদৃঢ় কৰাত বিভিন্ন কাৰ্যসূচী গ্ৰহণ আদি। সভাত তৈলক্ষেত্ৰ গণস্বাৰ্থ সুৰক্ষা সমিতি(উত্তৰ-পূৰ্বাঞ্চল)ৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি জয়ন্ত বৰুৱা, সম্পাদক ৰতন সিং, প্ৰচাৰ সম্পাদক মিজু গগৈসহ কেইবাগৰাকী কেন্দ্ৰীয় বিষয়ববীয়া, তিনিচুকীয়া জিলাৰ অন্তৰ্গত আঞ্চলিক সমিতিসমূহৰ সভাপতি/ সম্পাদকসকল উপস্থিত থাকে।

# আহোম সভাৰ দেওধৰ উপৰ পাঠৰি সমিতি গঠন

**ই-সংবাদ, বেৰেজীয়া, ১৬ নৱেম্বৰঃ** নগাঁও জিলা আহোম সভাৰ উদ্যোগত শনিবাৰে দেওধৰ উপৰ পাঠৰি অঞ্চলৰ টাই আহোম জনগোষ্ঠীটোৰ লোকসকলক লৈ এখনি সাংগঠনিক সভা অনুষ্ঠিত কৰা হয়। জনগোষ্ঠীটোৰ কৃষ্টি বিকাশ কেন্দ্ৰত অনুষ্ঠিত হোৱা সভাখনিত পৌৰোহিত্য কৰে সমাজসেৱক নিৰৱ ফুকনে। মৃদুল ফুকনে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিত নগাঁও জিলা আহোম সভাৰ সাধাৰণ সম্পাদক মহেন্দ্ৰজিৎ বৰুৱা, সাংগঠনিক সম্পাদক প্ৰবীণ বৰা, নগাঁও জিলা মহিলা কোষৰ সভানেত্ৰী নিৰুপমা বুঢ়াগোহাঁই আৰু সাধাৰণ সম্পাদিকা ৰূপালী বৰকঠীয়াকে প্ৰমুখ্য কৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে আহোম সভাৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণৰ সাংগঠনিক কাম-কাজ তৎপৰতাৰে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আঞ্চলিক আৰু শাখা সমিতি গঠনৰ লগতে এইসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। শতাধিক লোক উপস্থিত থকা উক্ত সভাতে নিৰৱ ফুকনক সভাপতি আৰু মৃদুল ফুকনক সাধাৰণ সম্পাদক হিচাপে লৈ সদৌ অসম আহোম সভাৰ একত্ৰিশ জনীয়া দেওধৰ উপৰ পাঠৰি আঞ্চলিক সমিতিখন গঠন কৰা হয়।




**কোকৰাঝাৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ এটি মুহূৰ্ত, শনিবাৰে**

# ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে ৬ গৰাকীকৈ সাংবাদিকক সম্বৰ্ধনা

**ই-সংবাদ, বিশ্বনাথ, ১৬ নৱেম্বৰঃ** আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। সেই উপলক্ষে জিলা তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত আৰু বিশ্বনাথ জিলা প্ৰশাসনৰ সহযোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস বিশ্বনাথ জিলা আয়ুক্তৰ সন্মিলন কক্ষত উদযাপন কৰা হয়। এইবাৰৰ প্ৰেছ দিৱসৰ মূল বিষয় হল- সংবাদ মাধ্যমৰ পৰিৱৰ্তিত ৰূপ। উক্ত কাৰ্যসূচীত উপস্থিত থাকে বিশ্বনাথ জিলা আয়ুক্ত মুনিন্দ্ৰ নাথ ঙাটে, সমজিলা আয়ুক্ত ধ্ৰুৱ জ্যোতি দাস, সহকাৰী আয়ুক্ত বিচিত্ৰা দাস। বঁটা প্ৰাপক তথা আজিৰ সংবাদ মাধ্যমৰ পৰিৱৰ্তিত ৰূপৰ ওপৰত বক্তব্য প্ৰদান কৰে ডঃ সঞ্জীৱ উপাধ্যায়ে। আজিৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৬ গৰাকী জ্যেষ্ঠ সাংবাদিকক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সাংবাদিক শিবু মজুমদাৰ, বিনিত ঝা, নৱজিৎ শইকীয়া, ৰমেন বৰা পংকজ হাজৰিকা আৰু NB Newsৰ সাংবাদিক ত্ৰিবেণী বৰাক সম্বৰ্ধনা জনোৱা হয়। বিশ্বনাথ চাৰিআলি, বিহালী, চতিয়া আদি অঞ্চলৰ জ্যেষ্ঠ, কনিষ্ঠ সাংবাদিকসকলৰ উপস্থিতিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ উপলক্ষে ৬ গৰাকীকৈ সাংবাদিকক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# নগাঁও জিলা সত্ৰ মহাসভাৰ সত্ৰীয়া সংস্কৃতি দিৱস উদযাপন

**ই-সংবাদ, পুৰণিগুদাম, ১৬ নৱেম্বৰঃ** অসম সত্ৰ মহাসভাৰ অধীনৰ নগাঁও জিলা সত্ৰ মহাসভাৰ ২৪ তম "সত্ৰীয়া সংস্কৃতি দিৱস"টো নগাঁও জিলা সতী ৰাধিকা মহিলা তীৰ্থ আৰু শিৱনগৰ নামঘৰ সামূহিক সমাজৰ সহযোগত যোৱা ১৫ নৱেম্বৰত অনুষ্ঠিত হয়। পুৱা অসম সত্ৰ মহাসভাৰ ধ্বজা উত্তোলন কৰি নগাঁও জিলা সত্ৰ সহাসভাৰ উপ-সভাপতি টিকেন্দ্ৰ নাথ মহন্তই। স্মৃতি তৰ্পণ আৰু ডঃ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বালন কৰে নগাঁও জিলা সত্ৰ মহাসভাৰ উপদেষ্টা সৰ্বানন্ত মহন্তই। পৰৱৰ্তী সময়ত শ্ৰীশ্ৰী ডোখোৰামুখ সত্ৰৰ ডেকা সত্ৰাধিকাৰ ৰঞ্জিত গোস্বামী তত্বাৱধানত নামপ্ৰসংগ অনুষ্ঠিত হয়। দিনৰ এক বজাৰ পৰা মুকলি সভা অনুষ্ঠিত হয়। নগাঁও জিলা সত্ৰ মহাসভাৰ সভাপতি যুগল চন্দ্ৰ দেৱগোস্বামীৰ সভাপতিত্ব অনুষ্ঠিত হোৱা মুকলি সভাখনত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি থগিত মহন্ত, পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতি পুলিন হাজৰিকা, লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামী, নুমলী আঁহতগুৰি সত্ৰৰ সত্ৰাধিকাৰ পৰমা গোস্বামী, কৃষ্ণকান্ত বৰুৱা, দিগন্ত প্ৰকাশ মহন্ত, নগাঁও জিলা সত্ৰ মহাসভাৰ উপ-সভাপতি টিকেন্দ্ৰ নাথ মহন্ত, সম্পাদক অমৃত মহন্তকে ধৰি বহুকেইজন গণ্যমান্য লোক উপস্থিত থাকি ভাষণ প্ৰদান কৰে। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি থগিত মহন্তই নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি সত্ৰীয়া সংস্কৃতি প্ৰয়োজনীয়তা আৰু আধ্যাত্মিক চিন্তা চেতনাৰ ওপৰত ভাষণ প্ৰদান কৰে। সত্ৰীয়া সংস্কৃতি দিৱসটোত চিন্ময়ী মহন্তই বৰগীত পৰিৱেশন কৰাৰ লগতে জিজ্ঞাস মহন্ত আৰু পাৰিজাত ভূঞাই সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰে। উক্ত অনুষ্ঠানত খনীন্দ্ৰ তালুকদাৰে লোকগীত পৰিৱেশন কৰাৰ লগতে নিৰদা কাশ্যপে কৃষ্ণনৃত্য প্ৰদৰ্শন কৰে। লগতে সূত্ৰধাৰ সংগীত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে এটি সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰে। উক্ত সভাখনত নগাঁও জিলা সত্ৰ মহাসভাৰ প্ৰাক্তন সভাপতি ডাঃ কেশৱানন্দ গোস্বামী, কৰচোং সত্ৰৰ সত্ৰাধিকাৰ কীৰ্তিকান্ত গোস্বামী আৰু বৰএলেঙী সত্ৰৰ মিত্ৰদেৱ মহন্তক গামোছা চেলেং মাতপত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। নগাঁও জিলা সত্ৰ মহাসভাৰ সহঃ সম্পাদক নৱজ্যোতি মহন্তই আঁত ধৰা সত্ৰীয়া সংস্কৃতি দিৱসটোত নগাঁও জিলা সত্ৰ মহাসভাৰ বাৰ্ষিক পত্ৰিকা "সত্ৰ সম্ভাৰ" উন্মোচন কৰে বিশিষ্ট সমাজসেৱক তথা পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পুলিন হাজৰিকাই। উক্ত অনুষ্ঠানতে ধ্ৰুলন মহন্তৰ কবিতা পুথি "বৈভৱ" উন্মোচন কৰে নগাঁও জিলা সতী ৰাধিকা মহিলা তীৰ্থৰ সভানেত্ৰী ডঃ নীৰদা মহন্তই।

# জাগীৰোডত প্ৰেছ দিৱস, সাহিত্যিক হৰমোহন কলিতাক সাহিত্য ৰত্ন বঁটা

**ই-সংবাদ, মৰিগাঁও, ১৬ নৱেম্বৰ:** "জাগীৰোডত ধাৰাবাহিকভাৱে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰাৰ লগতে সাপ্তাহিক অসমীয়া নতুন সংবাদৰ বৰ্ষপূৰ্তি অনুষ্ঠান অনুষ্ঠিত কৰাটো এটা শুভ বাৰ্তা। এনেধৰণৰ অনুষ্ঠানে মফচলীয় সাংবাদিকসকলক উৎসাহিত কৰে।"- ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন আৰু সাপ্তাহিক অসমীয়া নতুন সংবাদৰ ১৫ সংখ্যক বৰ্ষপূৰ্তি অনুষ্ঠান সঞ্চালনা কৰি এনেদৰে মন্তব্য কৰে জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ তথা শিক্ষা ৰত্ন বঁটা প্ৰাপক ড০ ভৱেন চন্দ্ৰ নেওগে। জাগীৰোড মহাবিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে জাগীৰোড শতদল শাখা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি অনিৰুদ্ধ ডেকাই বন্তি প্ৰজ্বলন কৰে। সীতা জখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ অধ্যক্ষ ৰঞ্জীৱ শৰ্মাই অনুষ্ঠান উদ্বোধন কৰে। অনুষ্ঠানত সাহিত্যিক পেঞ্চনাৰ নাৰায়ণ কুমাৰ ৰাড়ু কাকতি, অসম উন্নতি সভাৰ সম্পাদক অতনু শৰ্মা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে এই অনুষ্ঠানতে জাগীৰোড শতদল শাখাৰ প্ৰাক্তন সভাপতি তথা সাহিত্যক ড০ হৰমোহন কলিতাক ভাষা-সাহিত্যিলৈ আগবঢ়োৱা অৱদানৰ বাবে সাহিত্য ৰত্ন বঁটা প্ৰদান কৰে। বঁটাত আছে গামোচা, চেলেং, জাপি, শৰাই, সম্বৰ্ধনা পত্ৰ আৰু স্মাৰক। অনুষ্ঠানত সাংবাদিকতাৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা অসমীয়া খবৰ আৰু দৈনিক অগ্ৰদূত কাকতৰ মৰিগাঁৱৰ জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মা, লেখিকা চিত্ৰলেখা বৰা, সমাজকৰ্মী খগেন চন্দ্ৰ দাস, মীনপালক জয়নাল আবদিনক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। সম্পাদক পৰমানন্দ ডেকাই শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটি আঁত ধৰে সমাজকৰ্মী অৱন্তি কুমাৰ বৰাই।

# নগাঁও জিলা সত্ৰ মহাসভাৰ সত্ৰীয়া সংস্কৃতি দিৱস উদযাপন

**ই-সংবাদ, পুৰণিগুদাম, ১৬ নৱেম্বৰ:** অসম সত্ৰ মহাসভাৰ অধীনৰ নগাঁও জিলা সত্ৰ মহাসভাৰ ২৪ তম "সত্ৰীয়া সংস্কৃতি দিৱস"টো নগাঁও জিলা সতী ৰাধিকা মহিলা তীৰ্থ আৰু শিৱনগৰ নামঘৰ সামূহিক সমাজৰ সহযোগত যোৱা ১৫ নৱেম্বৰত অনুষ্ঠিত হয়। পুৱা অসম সত্ৰ মহাসভাৰ ধ্বজা উত্তোলন কৰি নগাঁও জিলা সত্ৰ সহাসভাৰ উপ-সভাপতি টিকেন্দ্ৰ নাথ মহন্তই। স্মৃতি তৰ্পণ আৰু ড° ভুপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বালন কৰে নগাঁও জিলা সত্ৰ মহাসভাৰ উপদেষ্টা সৰ্বানন্ত মহন্তই। পৰৱৰ্তী সময়ত শ্ৰীশ্ৰী ডোখোৰামুখ সত্ৰৰ ডেকা সত্ৰাধিকাৰ ৰঞ্জিত গোস্বামী তত্বাৱধানত নামপ্ৰসঙ্গ অনুষ্ঠিত হয়। দিনৰ এক বজাৰ পৰা মুকলি সভা অনুষ্ঠিত হয়। নগাঁও জিলা সত্ৰ মহাসভাৰ সভাপতি যুগল চন্দ্ৰ দেৱগোস্বামীৰ সভাপতিত্ব অনুষ্ঠিত হোৱা মুকলি সভাখনত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি থগিত মহন্ত, পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতি পুলিন হাজৰিকা, লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামী, নুমলী আঁহতগুৰি সত্ৰৰ সত্ৰাধিকাৰ পৰমা গোস্বামী,কৃষ্ণকান্ত বৰুৱা, দিগন্ত প্ৰকাশ মহন্ত, নগাঁও জিলা সত্ৰ মহাসভাৰ উপ- সভাপতি টিকেন্দ্ৰ নাথ মহন্ত, সম্পাদক অমৃত মহন্তকে ধৰি বহুকেইজন গণ্যমান্য লোক উপস্থিত থাকি ভাষণ প্ৰদান কৰে।নগাঁও জিলা সাহিত্য সভাৰ সভাপতি থগিত মহন্তই নিদিষ্ট বক্তা হিচাপে উপস্থিত থাকি সত্ৰীয়া সংস্কৃতি প্ৰয়োজনীয়তা আৰু আধ্যাত্মিক চিন্তা চেতনাৰ ওপৰত ভাষণ প্ৰদান কৰে। সত্ৰীয়া সংস্কৃতি দিৱসটোত চিন্ময়ী মহন্তই বৰগীত পৰিৱেশন কৰাৰ লগতে জিজ্ঞাস মহন্ত আৰু পাৰিজাত ভুঞাই সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰে।উক্ত অনুষ্ঠানত খনীন্দ্ৰ তালুকদাৰে লোকগীত পৰিৱেশন কৰাৰ লগতে নিৰদা কাশ্যপে কৃষ্ণনৃত্য প্ৰদৰ্শন কৰে। লগতে সূত্ৰধাৰ সংগীত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে এটি সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰে। উক্ত সভাখনত নগাঁও জিলা সত্ৰ মহাসভাৰ প্ৰাক্তন



সভাপতি ডাঃ কেশৱানন্দ গোস্বামী, কৰচোং সত্ৰৰ সত্ৰাধিকাৰ কীৰ্তিকান্ত গোস্বামী আৰু বৰএলেঙী সত্ৰৰ মিত্ৰদেৱ মহন্তক গামোছা চেলেং মাত্ৰপত্ৰ আদিৰে সম্বৰ্দ্ধনা জনোৱা হয়।নগাঁও জিলা সত্ৰ মহাসভাৰ সহঃসম্পাদক নৱজ্যোতি মহন্তই আঁট ধৰা সত্ৰীয়া সংস্কৃতি দিৱসটোত নগাঁও জিলা সত্ৰ মহাসভাৰ বাৰ্ষিক পত্ৰিকা "সত্ৰ সম্ভাৰ" উন্মোচন কৰে বিশিষ্ট সমাজসেৱক তথা পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পুলিন হাজৰিকাই। উক্ত অনুষ্ঠানতে ধৃলন মহন্তৰ কবিতা পুথি "বৈভৱ" উন্মোচন কৰে নগাঁও জিলা সতী ৰাধিকা মহিলা তীৰ্থৰ সভানেত্ৰী ড° নীৰদা মহন্তই। সত্ৰীয়া সংস্কৃতি দিৱসটোত সত্ৰীয়া নৃত্য, কৃষ্ণনৃত্য,বৰগীত আদিকে ধৰি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে সন্ধিয়া ২৪ গছি বন্তি প্ৰজ্বলন কৰে অসম সত্ৰ মহাসভাৰ উপ-সভাপতি অশোক মহন্তই। নিশা ৯ বজাত শিৱনগৰ নামঘৰ সামূহিক সমাজ আৰু চন্দ্ৰ শইকীয়াৰ পৰিচালনাত "কেলী গোপাল" নাটকখন প্ৰদৰ্শন কৰে। উক্ত নাটকখন লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামীয়ে শুভ উদ্বোধন কৰে বুলি নগাঁও জিলা সত্ৰ মহাসভাৰ সম্পাদক অমৃত মহন্তই জানিবলৈ দিয়ে।

**পবিতৰাহাটত দিনজোৰা অনুষ্ঠান**

# মৰিগাঁৱত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন

**ই-সংবাদ, লাহৰীঘাট, ১৬ নৱেম্বৰঃ** মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সহযোগত আজি পবিতৰাহাটত অতি উৎসাহেৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস ২০২৪ উদযাপন কৰা হয়। জিলা প্ৰশাসন আৰু মৰিগাঁও জিলা সাংবাদিক সংস্থায়ে আয়োজন কৰা এই অনুষ্ঠানত সাংবাদিক, বুদ্ধিজীৱী, আৰু গণ্যমান্য ব্যক্তিসকলক একত্ৰিত কৰি সমাজত সংবাদ মাধ্যমৰ জটিল ভূমিকা সম্পৰ্কে চিন্তা-চৰ্চা কৰা হয় আৰু আজিৰ এই অনুষ্ঠানৰ মূল বিষয় "সংবাদ মাধ্যমৰ পৰিৱৰ্তিত ৰূপ" শীৰ্ষক বিষয়বস্তুৰ অধীনত ইয়াৰ বিৱৰ্তনশীল প্ৰকৃতিৰ বিষয়ে আলোচনা কৰা হয়। সাংবাদিকতাই সমাজলৈ কঢ়িয়াই অনা জ্ঞান আৰু সততাৰ প্ৰতীক হিচাপে পবিতৰাহাটত বন্তি প্ৰজ্বলন অনুষ্ঠানৰ জৰিয়তে কাৰ্যসূচী আৰম্ভ কৰা হয়। দিনটোৰ আকৰ্ষণীয় দিশ আছিল "সংবাদ মাধ্যমৰ পৰিৱৰ্তিত ৰূপ" শীৰ্ষক বিষয়বস্তুৰ সন্ধান কৰা এখন মুকলি সভা। সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে জিলাখনৰ অতিৰিক্ত জিলা আয়ুক্ত ড০ সংগীতা বৰঠাকুৰে। পৰম্পৰাগত মঞ্চৰ পৰা ডিজিটেল লেণ্ডস্কেপলৈ সংবাদ মাধ্যমৰ দ্ৰুত বিৱৰ্তনৰ বিষয়ে আলোচনা কৰি তেওঁ এই বিষয়ত এক বিস্তৃত ভাষণ প্ৰদান কৰে। মুখ্য ভাষণত জ্যেষ্ঠ সাংবাদিক তথা অধিবক্তা বুবুমণি গোস্বামীয়ে সংবাদ মাধ্যমৰ ঐতিহাসিক ৰূপান্তৰৰ গভীৰ বিশ্লেষণ আগবঢ়ায়। তেওঁ সাংবাদিকতাই সমাজ আৰু প্ৰযুক্তিগত পৰিৱৰ্তনৰ লগত কেনেদৰে খাপ খাই পৰিছে সেই বিষয়ে আলোকপাত কৰি সাংবাদিকসকলক সত্য আৰু জনসেৱাৰ প্ৰতি নিজৰ দায়বদ্ধতা বজাই ৰাখি উদ্ভাৱনক আকোৱালি ল'বলৈ আহ্বান জনায়। ইয়াৰ পৰৱৰ্তী সময়ত জিলাখনৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসে আইন প্ৰয়োগকাৰী আৰু জনসাধাৰণৰ মাজত সহযোগিতা গঢ়ি তোলাত সংবাদ মাধ্যমৰ ভূমিকা সম্পৰ্কে বক্তব্য ৰাখি সামাজিক সম্প্ৰীতি আৰু ইয়াৰ প্ৰভাৱৰ ওপৰত গুৰুত্ব আৰোপ কৰে।লগতে বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰিয়াই সংবাদ মাধ্যম আৰু শিক্ষাৰ মাজৰ সম্পৰ্কৰ ওপৰত চিন্তা-চৰ্চা কৰি জনমত আৰু সম্প্ৰদায়ৰ উন্নয়ন গঢ় দিয়াত সংবাদ মাধ্যমৰ প্ৰভাৱৰ ওপৰত আলোকপাত কৰে।মৰিগাঁও জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি প্ৰতাপ হাজৰিকাই সাম্প্ৰতিক যুগত সাংবাদিকসকলৰ দায়িত্ব সম্পৰ্কে তেওঁৰ অভিজ্ঞতা আৰু অন্তৰ্দৃষ্টি ভাগ-বতৰা কৰে। আজিৰ অনুষ্ঠানত নিজৰ ক্ষেত্ৰখনত যথেষ্ট প্ৰভাৱ পেলোৱা বিশিষ্ট সাংবাদিকসকলৰ অৱদানকো স্বীকৃতি দিয়া হয়:মৰিগাঁৱৰ সাংবাদিক লক্ষ্যজ্যোতি নাথ আৰু মায়ঙৰ সাংবাদিক নজৰুল ইছলামক তেওঁলোকৰ নিষ্ঠা আৰু সেৱাৰ বাবে সন্মানিত কৰা হৈছিল। সাংবাদিকতালৈ তেওঁলোকৰ অমূল্য অৱদানৰ স্বীকৃতি দি জাপি, গামোছা আৰু প্ৰশংসাপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়।

# লাহোৱাল প্ৰেছ ক্লাবৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন

**ই-সংবাদ, লাহোৱাল, ১৬ নৱেম্বৰঃ ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি ডিব্ৰুগড়ৰ** অগ্ৰণী অনুষ্ঠান লাহোৱাল প্ৰেছ ক্লাবৰ উদ্যোগত আজি পালন কৰা হয় ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে লাহোৱাল প্ৰেছ ক্লাবৰ উপদেষ্টা মুক্তামণি হাজৰিকাই। সাধাৰণ সম্পাদক দিবাকৰ দত্তই আঁতধৰা অনুষ্ঠানত পৌৰহিত্য কৰে প্ৰেছ ক্লাবৰ সভাপতি হোমেন ফুকনে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি তথা অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰা, ডিব্ৰুগড়ৰ বিশিষ্ট সমাজকৰ্মী অজয় গগৈ, এছ কে এছ ইংলিছ একাডেমীৰ স্বত্বাধিকাৰী ড০ দয়ানন্দ শ্বাহ, টাইপাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাণাৰঞ্জন গগৈকে প্ৰমুখ্যে কৰি লাহোৱাল অঞ্চলৰ কেইবাগৰাকী গণ্যমান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানতে ডিব্ৰুগড়ৰ চাৰিগৰাকী জ্যেষ্ঠ সাংবাদিক ক্ৰমে ভূষণজ্যোতি সন্দিকৈ, কনৌজ শইকীয়া, ইকৰাম আলি, ৰমেশ হাজৰিকাক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰোপৰি লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা উজ্জ্বল বৰুৱা আৰু অসম ছাত্ৰ পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি পৰাগজ্যোতি দত্তই নিমন্ত্ৰিত অতিথি সকলৰ লগতে লাহোৱাল প্ৰেছ ক্লাবৰ সমূহ সাংবাদিকক মৰমৰ চিন স্বৰূপে এখনি ফুলাম গামোছা আৰু এটা কলম অৰ্পণ কৰি ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ হিয়াভৰা শুভেচ্ছা জনায়। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই লাহোৱাল প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভানেত্ৰী ৰশ্মিৰেখা সাউদ কলিতাই।

# বিশ্বনাথ ৰাস মহোৎসৱত উছৱমুখৰ পৰিৱেশ

**ই-সংবাদ, বিশ্বনাথ, ১৬ নৱেম্বৰঃ** বিশ্বনাথ মহোৎসৱক লৈ বিশ্বনাথত ইতিমধ্যে এক উছৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। উত্তৰ চাৰিআলি ৰাসোৎসৱ সমিতিৰ উদ্যোগত বিশ্বনাথৰ ৰেল গেটত অনুষ্ঠিত হৈছে ৰাজ্যৰ অন্যতম সৰ্ববৃহৎ বিশ্বনাথ ৰাস মহোৎসৱ। ইফালে, বিশ্বনাথ ৰাস মহোৎসৱ উপলক্ষে বহিঃৰাজ্য কলকাতা, উত্তৰ প্ৰদেশ, দিল্লী পৰা অহা বহু সংখ্যক বিপণীয়ে ভিৰ কৰিছে। কলকাতাৰ অত্যাধুনিক আলোক সজ্জাৰে পৰিবেষ্টিত এখন অপূৰ্ব মৃন্ময় মূৰ্তিৰ ৰাসৰ শোভায়ো আপ্লুত কৰিছে দৰ্শকক। যোৱা নিশা অনুষ্ঠিত ৰাসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে জনপ্ৰিয় যুৱ সাংবাদিক এঞ্জেলা চাংমাই। জনপ্ৰিয় সাংবাদিকগৰাকীয়ে সুন্দৰ বক্তব্যৰে মোহিত কৰে সমবেত হাজাৰ হাজাৰ লোকক। তেওঁ শ্ৰীমন্ত শংকৰ দেৱৰ সৃষ্টিৰাজি আগুৱাই নিবলৈ যুৱ প্ৰজন্মক আহ্বান জনায়। অনুষ্ঠানত জনপ্ৰিয় শিল্পী মানস ভাগৱতীৰ গীতে মোহিত কৰে ৰাইজক। সভাপতি নিৰঞ্জন হাজৰিকাই আঁত ধৰা অনুষ্ঠানত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিশিষ্ট অভিনেতা জ্যোতি ভূঞা, বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যাপক তাৰা নাথ মহন্ত, প্ৰাক্তন ছাত্ৰ নেতা অপূৰ্ব কুমাৰ দাস, ৰাজেন্দ্ৰ প্ৰসাদ দাসকে ধৰি বিভিন্ন দল-সংগঠনৰ নেতাই অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে মাজুলীৰ আৰ্হিত মঞ্চত দৈৱকীৰ বিবাহ নাটিকাখনে ৰাইজক আপ্লুত কৰে। সৌৰভ বৰা, তৃষ্ণা দাসকে প্ৰমুখ্য কৰি অভিনেতা-অভিনেত্ৰীসকলৰ অভিনয়ে ৰাইজক আপ্লুত কৰে। ইয়াৰ পিছতে জোনটি দাধৰাৰ পৰিচালনাত অনুষ্ঠিত হয় দধি মথন আৰু অঘাসুৰ বধ নাটিকা। অসমৰ জনপ্ৰিয় শিল্পী অলংকিতা আৰু ৰূপাংকিতাৰ লগতে বহু শিল্পীয়ে অংশগ্ৰহণ কৰাৰ লগতে কেইবাখনো নাটিকা মঞ্চস্থ কৰা হয়। ৰাস মহোৎসৱত অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ উপৰি, বিদুৰভাই বোলছবিৰ অভিনেতা উজ্জ্বল ৰাজখোৱা আৰু বলীন বৰা, জনপ্ৰিয় শিল্পী ৰিচা ভৰদ্বাজ আদি শিল্পীয়ে অংশগ্ৰহণ কৰিব ।

# শিৱসাগৰ ইলেকট্ৰনিক মেডিয়াৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন

**ই-সংবাদ, শিৱসাগৰ, ১৬ নৱেম্বৰঃ** আজি ১৬ নৱেম্বৰ। ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। স্বাধীন ভাৰতৰ প্ৰায় দুটা দশকৰ পিছত স্বাধীন ভাৰতৰ পটভূমিত ভাৰতীয় সাংবাদিকতাৰ এক নতুন দিশ নিৰ্ণয়ৰে ১৯৬৬ চনৰ আজিৰ দিনটোতে প্ৰেছ কাউঞ্চিল অৱ ইণ্ডিয়া গঠন হৈছিল। বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰান্তিক দেশ ভাৰতত ব্ৰিটিছ আমোলতে ভাৰতীয় সাংবাদিকতাই ভাৰতীয় জনগণৰ আৱেগ-অনুভূতিক বলিষ্ঠভাৱে উপস্থাপন কৰি আহিছিল যদিও সৰ্বভাৰতীয় পৰ্যায়ত ভাৰতীয় সাংবাদিকতাক একেখন মঞ্চৰ তললৈ আনিব পৰাকৈ সাংবাদিকতাৰ তেনে কোনো ৰাষ্ট্ৰীয় অনুষ্ঠান নাছিল। কিন্তু প্ৰেছ কাউঞ্চিল অৱ ইণ্ডিয়া গঠন হোৱাৰ পিছৰেই পৰা ভাৰতীয় উপ-মহাদেশত সাংবাদিকতাৰ বাবে এক নতুন দিগন্তৰ সূচনা হয়। এই ১৬ নৱেম্বৰৰ দিনটোকে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস হিচাপে প্ৰতি বছৰে পালন কৰি অহা হৈছে। আজি সমগ্ৰ ভাৰতৰ বিভিন্ন সংবাদ মাধ্যমৰ সৈতে জড়িত অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে শিৱসাগৰ ইলেকট্ৰনিক মিডিয়া আৰু শিৱসাগৰ জিলা সাংবাদিক সন্থাৰ যৌথ উদ্যোগত অনুষ্ঠিত কৰা হয় ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। সম্পূৰ্ণ ব্যতিক্ৰমী ৰূপত অনুষ্ঠিত কৰা এই অনুষ্ঠানটোত আজি ৰাইজ হয় দৰ্শক আৰু ছপা আৰু বৈদ্যুতিন সংবাদ মাধ্যমৰ সৈতে জড়িত সংবাদকৰ্মীসকল হয় মঞ্চৰ অতিথি। যিহেতু পূৰ্বৰ পৰাই সকলো ধৰণৰ সভাসমূহত কেবল বিশিষ্ট ব্যক্তিসকলে বক্তব্য প্ৰদান কৰে আৰু ৰাইজৰ লগতে সংবাদ মাধ্যমৰ কৰ্মীসকলে দৰ্শক হৈ বিভিন্ন বক্তাৰ বক্তব্যবিলাক শুনিব লাগে অথবা বক্তব্যবিলাক লিখিব অথবা ভিডিঅ' সংগ্ৰহ কৰিব লাগে। কিন্তু আজি শিৱসাগৰত ৰাইজ দৰ্শক হোৱাৰ লগতে সংবাদ কৰ্মীসকল বক্তা হৈ পৰে। শিৱসাগৰ নগৰৰ দ'লমুখ চাৰিআলিত আজি দিনৰ ১০ বজাৰ পৰা অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় প্ৰেছ দিৱসটিৰ আঁত ধৰে শিৱসাগৰৰ জ্যেষ্ঠ সাংবাদিক অনন্ত স্মিথে। শিৱসাগৰ জিলাখনৰ বিভিন্ন প্ৰান্তৰ ছপা আৰু বৈদ্যুতিন সংবাদ মাধ্যমৰ গৰিষ্ঠ সংখ্যক সংবাদ কৰ্মীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানটোত শিৱসাগৰৰ কেইবাগাৰকীও বিশিষ্ট ব্যক্তিৰ লগতে সাধাৰণ ৰাইজে অংশগ্ৰহণ কৰে। ৰাইজৰ উপস্থিতিত সাংবাদিকসকলে সাংবাদিকতাৰ দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত সন্মুখীন হৈ অহা সমস্যাসমূহৰ বিষয়ে শিৱসাগৰ জিলা সাংবাদিক সন্থাৰ সভাপতি জয়জ্যোতি গগৈয়ে উল্লেখ কৰে। সাংবাদিকসকলে ব্যাপক আৰ্থিক সংকটৰ মাজেৰে কেনেদৰে সাংবাদিকতাৰ দায়িত্ব আৰু কৰ্তব্য দিনে নিশাই পালন কৰিবলগীয়া হৈ আহিছে সেই সন্দৰ্ভত বিস্তৃতভাৱে তেওঁ উল্লেখ কৰে। বৈদ্যুতিন সংবাদ মাধ্যমৰ জ্যেষ্ঠ ভিডিঅ' জাৰ্নেলিষ্ট মুন্না আগৰৱালাই কিদৰে আৰ্থিক অনাটনৰ মাজেৰে সাংবাদিকতাৰ পেছাটোক আগুৱাই নিব লগীয়াত পৰিছে ইয়াৰ ওপৰত তেওঁৰ নিজস্ব অভিজ্ঞতাৰ বিষয়ে ব্যক্ত কৰে। সাংবাদিক ৱবিতা ভৰালীয়েও সাংবাদিকতাৰ ওপৰত হৈ অহা নিবিচ্ছিন্ন আক্ৰমণৰ সন্দৰ্ভত নিজৰ মতামত দাঙি ধৰে।

# কঠীয়াতলী প্ৰেছ ক্লাবৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস, প্ৰয়াত হোমেশ্বৰ হীৰালৈ শ্ৰদ্ধা

**ই-সংবাদ, কামপুৰ, ১৬ নৱেম্বৰঃ** আজি সমগ্ৰ দেশৰ সমান্তৰালকৈ কঠীয়াতলী প্ৰেছ ক্লাবৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হয়। পুৱা ১১ বজাত অসম চৰকাৰৰ সাংবাদিক পেঞ্চনাৰ প্ৰয়াত হোমেশ্বৰ হীৰাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে কামপুৰ প্ৰেছ ক্লাবৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ সভাৰাম মজুমদাৰে। সভাত সভাপতিত্ব কৰে কঠীয়াতলী প্ৰেছ ক্লাবৰ সভাপতি ঘনকান্ত বৰাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক অৰূপ বৰাই। আদৰণি অনুষ্ঠানৰ আঁত ধৰে মুক্তিকাম লস্কৰে। নিৰ্দ্দিষ্ট বক্তা সভাৰাম মজুমদাৰে কঠীয়াতলীৰ অগ্ৰদূত কাকতৰ সংবাদদাতা প্ৰয়াত হোমেশ্বৰ হীৰাৰ কৰ্মৰাজি সন্দৰ্ভত আলোচনা কৰে। অতি নিষ্ঠাৰে সুদীৰ্ঘ কাল সাংবাদিকতা কৰি ২০২০ চনত অসম চৰকাৰৰ সাংবাদিক পেঞ্চন লাভ কৰিবলৈ সক্ষম হৈছিল যদিও নিষ্ঠুৰ নিয়তিৰ ৰোষত পৰি বহু প্ৰতিক্ষীত পেঞ্চন পোৱাৰ সময়তেই ২০২১ চনৰ ২০ মে'ত ক'ভিডত আক্ৰান্ত হৈ তেওঁ মৃত্যু আঁকোৱালি ল'ব লগা হয়। কিন্তু অতি পৰিতাপৰ বিষয় যে প্ৰয়াত হোমেশ্বৰ হীৰাই চৰকাৰৰ পৰা এটা টকা ভোগ নকৰাকৈ গ'ল আৰু হীৰাৰ পত্নী লক্ষীমাই মেধি হীৰায়ো আজি এটা টকাও নোপোৱাৰ বাবে দুখ প্ৰকাশ কৰে মজুমদাৰে। জ্যেষ্ঠ সাংবাদিক তথা সাহিত্যক পেঞ্চনাৰ মোলান লস্কৰেও বিষয়টো সন্দৰ্ভত আলোচনা কৰে আৰু সাংবাদিকসকলে ভোগ কৰি অহা দুখ-দুৰ্গতিৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে। নিয়মীয়া বাৰ্তাৰ কামপুৰৰ সাংবাদিক সমৰেন্দ্ৰ নাৰায়ণ বৰাই বৰ্তমান সময়ত সাংবাদিকৰ নিৰাপত্তা প্ৰতি লক্ষ্য ৰাখিহে সাংবাদিকসকলক বাতৰি প্ৰেৰণ কৰিবলৈ কয়। সাংবাদিক পেঞ্চনাৰ নলিনী বৰঠাকুৰে প্ৰয়াত হোমেশ্বৰ হীৰাৰ সান্নিধ্য লাভ কৰাৰ কিছু স্মৃতি ৰোমমন্থন কৰে আৰু তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰীক হীৰাৰ পৰিয়ালক পেঞ্চন পোৱাৰ বাধা আঁতৰাই পৰিয়ালটোক সকাহ দিবলৈ আহ্বান জনায়। বৰলুইত বাৰ্তাৰ স্বত্বাধিকাৰী তথা সাংবাদিক কমলেশ্বৰ শইকীয়াই সংবাদ মাধ্যমৰ জৰিয়তে বহু জ্ঞান অৰ্জন কৰাৰ লগতে সংবাদ মাধ্যমৰ জৰিয়তে সমাজ সেৱাৰ সুবিধা লাভ কৰা বুলি গৌৰৱ অনুভৱ কৰে। সাংবাদিক ৰূপজ্যোতি ভূঞাই প্ৰেছ দিৱসৰ দিনটোত প্ৰয়াত হোমেশ্বৰ হীৰাৰ সোঁৱৰণত এটা বঁটা প্ৰদান কৰাৰ বাবে কঠীয়াতলী প্ৰেছ ক্লাবক অনুৰোধ জনোৱাৰ লগতে দক্ষিণ নগাঁও সাংবাদিক সন্থাটো পুনৰ উজ্জীৱিত কৰাৰ বাবে সকলৰে প্ৰতি আহ্বান জনায়। সভাপতি ঘনকান্ত বৰাই প্ৰতি বছৰে প্ৰেছ দিৱসত একোজনকৈ জ্যেষ্ঠ সাংবাদিকক প্ৰয়াত হোমেশ্বৰ হীৰাৰ নামত এটি বঁটা প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। দিৱস পালন কৰাৰ ক্ষেত্ৰত সম্পাদক অৰূপ বৰা, সাংবাদিক শান্তনু শৰ্মা, মুক্তিকাম লস্কৰ আৰু কৌশিক বৰাক অশেষ ধন্যবাদ জ্ঞাপন কৰে।

## বৰমাৰ থানগুৰিৰ নেহৰু আঞ্চলিক হাইস্কুলৰ মুখ্য তোৰণ মুকলি

**ই-সংবাদ, বৰমা, ১৬ নৱেম্বৰঃ** বাক্সা জিলাৰ বৰমাৰ সমৰতী থানগুৰি দেৱচৰাত ৰাস পূৰ্ণিমাৰ দিনটোতেই পিতৃৰ নামত বিদ্যালয়ৰ তোৰণ মুকলি কৰে থানগুৰি নিবাসী ডঃ হেমন্ত ৰাভাই। শিক্ষক পিতৃ উপেন্দ্ৰনাথ দাস ৰাভাৰ কীৰ্তি চিৰযুগমীয়া কৰি ৰখাৰ বাবে নেহৰু আঞ্চলিক হাইস্কুলত এখন ব্যয়বহুল তোৰণ মুকলি কৰে পুত্ৰই। উক্ত কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে গোলাঘাটৰ বীৰংগনা সতী সাধিনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেচৰ জি সিংঘীয়া। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যগৰাকীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰে তোৰণখন। বাক্সা জিলাৰ দেৱচৰা থানগুৰি অঞ্চলৰ প্ৰতিষ্ঠিত অগ্ৰণী উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নেহৰু আঞ্চলিক হাইস্কুলৰ সোণালী জয়ন্তী উপলক্ষে মুকলি কৰে এই তোৰণখন। অহা ২২ নৱেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব বিদ্যালয়খনৰ সোণালী জয়ন্তী। উপেন্দ্ৰনাথ দাস ৰাভা আছিল এইখন বিদ্যালয়ৰে সহকাৰী শিক্ষক। ২০২৩ বৰ্ষত পিতৃৰ মৃত্যুৰ পিছতেই পৰিয়ালে তেওঁ কৰ্মৰত বিদ্যালয়খনত তোৰণ উছৰ্গা কৰিছিল। সোণালী জয়ন্তীৰ আগমুহূৰ্তত তোৰণ আনুষ্ঠানিক উদ্বোধন কৰিবলৈ পাই যথেষ্ঠ সুখী বুলি কয় বৰপুত্ৰ ডঃ হেমন্ত ৰাভাই।



ছিপাঝাৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ এটি মুহূৰ্ত, ফটোঃ ই-সংবাদ, ছিপাঝাৰ

## পালহাজীত ড্ৰাগছ আৰু অসামাজিক কামৰ বিৰুদ্ধে বিশাল সজাগতা সমদল

**ই-সংবাদ, বৰপেটা, ১৬ নৱেম্বৰঃ** আজি বৰপেটা জিলাৰ বৰপেটা থানাৰ অন্তৰ্গত শিক্ষা আৰু বাণিজ্যৰ প্ৰাণকেন্দ্ৰ পালহাজীত উলিওৱা হয় বিশাল সজাগতা সমদল। বৃহত্তৰ পালহাজী আৰু ওচৰপাজৰৰ গাঁৱৰ ৰাইজক সজাগ কৰি তুলিবলৈ ছয়খন ব্যক্তিগত বিদ্যালয় আৰু চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে লগ হৈ উলিয়ায় এই প্ৰতিবাদ তথা সজাগতা সমদল। পালহাজী উচ্চতৰ মাধ্যমিক আদৰ্শ বিদ্যালয় প্ৰাংগণত একত্ৰিত হয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল। পালহাজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰাই আৰম্ভ হয় সমদল যাত্ৰা। সমদল যাত্ৰাৰ পূৰ্বে সকলোৰে একেলগে গায় অসম সংগীত। প্ৰত্যেক স্কুলৰ শিক্ষকসকলে মিলি পদযাত্ৰাৰ ৰোডমেপ নিৰূপণ কৰি ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়ে। ছয় হাজাৰ ছাত্ৰ-ছাত্ৰীৰ শ্ল'গানে কঁপাই তোলে আকাশ-বতাহ। প্ৰত্যেকৰে হাতে হাতে আছিল শ্ল'গান সম্বলিত প্লে-কাৰ্ড। শ্ল'গানসমূহ আছিল ড্ৰাগছ সেৱন বন্ধ কৰক, বাল্য বিবাহ বন্ধ কৰক, সুৰাপান বন্ধ কৰক, অসামাজিক কাম বন্ধ কৰক, নিচাযুক্ত সামগ্ৰী বন্ধ কৰক আদি। ইতিমধ্যে বৃহত্তৰ পালহাজী অঞ্চল আৰু সংখ্যালঘু অঞ্চলত এই ব্যাধিয়ে ছানি ধৰিছে। অনাগত দিনবোৰত যাতে ৰাইজ তথা চৰকাৰে এইবোৰৰ প্ৰতি দৃষ্টি ৰাখে তাক সকীয়াই দিবৰ বাবে এই বিশাল সমদলৰ আয়োজন কৰা হয়। প্ৰতিবাদী সভাত উপস্থিত থাকে পালহাজী উচ্চতৰ মাধ্যমিক আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ শাহাদত হুছেইন খান তথা বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, অৰুণোদয় জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ছফিকুল ইছলাম তথা শিক্ষক-কৰ্মচাৰীসকল।

# ৰঙিয়াত প্ৰাইজমানি দ্বৈত বেডমিণ্টন

**ই-সংবাদ, ৰঙিয়া, ১৬ নৱেম্বৰঃ** ৰঙিয়াত উদয়ন সংঘৰ উদ্যোগত অহা ৩০ নৱেম্বৰ আৰু ১ ডিচেম্বৰত সদৌ অসম ভিত্তিত প্ৰাইজমানি দ্বৈত বেডমিণ্টন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰয়াত পয়োধৰ ডেকা আৰু সুৰেণ কলিতাৰ সোঁৱৰণত স্থানীয় হিন্দী হাইস্কুল খেলপথাৰত অনুষ্ঠিত হ'বলগা প্ৰতিযোগিতাৰ প্ৰথম আৰু দ্বিতীয় পুৰস্কাৰ হিচাপে চূড়ান্ত ট্ৰফীসহ ২০ হাজাৰ আৰু ১০ হাজাৰ টকা নগদ ধন আগবঢ়োৱা হ'ব। অংশগ্ৰহণৰ বাবে আগ্ৰহী সকলক ৮৭২০৯১৭৭৩০,৮৬৩৮৫ ৬৮৮৩৩ফোন নম্বৰ যোগে যোগাযোগ কৰিবলৈ আয়োজক সমিতিয়ে আহ্বান জনাইছে।



ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ইংলেণ্ডৰ ফিল ছল্ট, চতুৰ্থ টি-২০ত, শনিবাৰে

## জধে-মধে বৃহৎ পৰিমাণৰ কৰ সংগ্ৰহৰ অভিযোগ

# ৰাজাগাঁৱত চেক গেটৰ বিৰুদ্ধে প্ৰতিবাদ ব্যৱসায়ীৰ

**ই-সংবাদ, কামপুৰ, ১৬ নৱেম্বৰঃ** কচুৱা থানাৰ অন্তৰ্গত নগাঁও আৰু পশ্চিম কাৰ্বি জিলাৰ সীমান্তৱৰ্তী এলেকা ৰজাগাঁৱত একাংশ ব্যৱসায়ীয়ে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰাপ্ত খবৰ অনুসৰি কামপুৰ-কচুৱা-বৈঠালাংচু পথত কাৰ্বি আংলং স্বায়ত্ত পৰিষদে কচুৱা থানাৰ অন্তৰ্গত ৰজাগাঁৱৰ সমীপৱৰ্তী এলেকাত চেক গেট বহুৱাই ব্যৱসায়ীৰ পৰা বৃহৎ পৰিমাণৰ কৰ সংগ্ৰহ কৰাৰ অভিযোগ তুলি ব্যৱসায়ীসকলে এই প্ৰতিবাদ সাব্যস্ত কৰে। অভিযোগ অনুসৰি পশ্চিম কাৰ্বি আংলং প্ৰৱেশ দ্বাৰত দীৰ্ঘদিন ধৰি কাৰ্বি আংলং স্বায়ত্ত পৰিষদে চেক গেট বহুৱাই কৰ সংগ্ৰহ কৰি আহিছিল যদিও পুনৰ আন এটা চেক গেট বহুৱাই ব্যৱসায়ীৰ পৰা বৃহৎ পৰিমাণৰ কৰ সংগ্ৰহ কৰাৰ অভিযোগ উঠিছে আজি কামপুৰ, কচুৱা আৰু ৰজাগাঁৱৰ পৰা যোৱা ব্যৱসায়ীসকলে সা-সামগ্ৰী লৈ বজাৰলৈ গৈ থকাৰ অৱস্থাত চেক গেটত গাড়ী ৰখাই গাড়ীৰ পৰা সকলো সামগ্ৰী নমাই বৃহৎ পৰিমাণৰ কৰ দাবী কৰাৰ অভিযোগ কৰিছে ব্যৱসায়ীসকলে। যাৰ বাবে ব্যৱসায়ীসকলে বজাৰলৈ নগৈ গৃহমুখী হয় আৰু ৰঝাগাঁৱত প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে, ইয়াৰ বিৰুদ্ধে ৰাইজ পূৰ্বৰে পৰা ক্ষোভিত হৈ আছিল।

# ইউপিপিএল নেতাৰ নিৰ্যাতনৰ অভিযোগক নস্যাৎ ইএম সঞ্জিৎ তাঁতীৰ

**ই-সংবাদ, ডিমাকুছি, ১৬ নৱেম্বৰঃ** বিটিআৰ নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত এগৰাকী জনপ্ৰতিনিধিৰ বিৰুদ্ধে উত্থাপিত শাৰিৰীক নিৰ্যাতনৰ অভিযোগক একেমুখে নস্যাত কৰে বিটিআৰৰ কাৰ্যবাহী পাৰিষদ সঞ্জিৎ তাঁন্তীয়ে। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ দিনাই সাংবাদিক সকলক শ্ৰদ্ধা জনায় নিজ বাসগৃহত এক সংবাদমেলৰ আয়োজন কৰি ই এম গৰাকীয়ে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগক হাস্যকৰ আখ্যা দি এয়া ৩৩ নং ননৈ চেৰফাং পৰিষদীয় সমষ্টিত ধাৰাবাহিক জনপ্ৰিয়তাত শংকিত হৈ একাংশই ৰচনা কৰা ষড়যন্ত্ৰৰ এটা অংশহে বুলি উল্লেখ কৰে। অসম চৰকাৰৰ পুঁজিৰে হাতীগড় চাহ বাগিছাত নিৰ্মাণ কৰিবলগীয়া এটা জগন্নাথ মন্দিৰৰ স্থানক লৈ বিগত সময়ত কিছু খেলিমেলিৰ সৃষ্টি হৈছিল। ইয়াকে লৈ স্থানীয় যুৱক তথা ইউপিপিএলৰ যুৱ নেতা আচিশ চাচনিয়ে বিগত সময়ত ৰাইজৰ মাজত বিভ্ৰান্তিকৰ কথাৰে বিটিআৰৰ ই এম সঞ্জিৎ  তাঁন্তীৰ বিৰুদ্ধে অপপ্ৰচাৰত লিপ্ত হয় । এই কথাত একাংশ বিজেপি কৰ্মীয়ে বাধা প্ৰদান কৰাত সঞ্জিৎ তাঁন্তীৰ বিৰুদ্ধে খৰ্গহস্ত হৈ পৰে চাচনি। আনকি বিটিআৰৰ ই এম গৰাকীৰ ঘৰত আহিও উচ্চবাচ্য কৰাতে ক্ষান্ত নাথাকি কাৰ্যবাহী সদস্য গৰাকীক কটু তথা অশ্লীল ভাষাৰে সমালোচনা কৰে। সেই সময়ত ইউ পি পি এলৰ নেতা তথা হাতীগড় ভিচিডিচিৰ উপ সভাপতি আচিশ চাচনি মদৰ নিচাত মাতাল হৈ থকা বাবে ই এম গৰাকীৰ পৰামৰ্শত একাংশ বিজেপি কৰ্মীয়ে চাচনিক ঘৰত থৈ আহে। কিন্তু ঘটনাৰ এদিন পাছতে চাচনিয়ে ই এম সঞ্জিৎ তাঁন্তী আৰু একাংশ বিজেপি কৰ্মীৰ বিৰুদ্ধে মাৰপিট কৰা আৰু হত্যাৰ অপচেষ্টা চলোৱাৰ অভিযোগ তুলি হৰিশিঙা আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। বিগত কেইবাদিনো ধৰি ননৈ চেৰফাং পৰিষদীয় সমষ্টিত বিজেপি আৰু ইউ পি পি এলৰ মাজত সৃষ্টি হোৱা সংঘাতক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় অঞ্চলটোত। অঞ্চলটোত এটা ধৰ্মীয় অনুস্থান স্থাপনক লৈ ইউ পি পি এলৰ নেতাজনে কুটিল ৰাজনীতিৰ আশ্ৰয় লোৱাত সংবাদমেল যোগে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে কাৰ্যবাহী সদস্য গৰাকীয়ে। উন্নয়নমূলক কামত ৰাজনীতি কৰাতো সমাজ খনৰ বাবে অত্যন্ত ক্ষতিকাৰক বুলি অভিহিত কৰি তেওঁ বিটিআৰ নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত কাৰ্যবাহী সদস্য গৰাকীৰ বিৰুদ্ধে একাংশ দুষ্টচক্ৰই সমাজত হেয় প্ৰতিপন্ন কৰাৰ ষড়যন্ত্ৰত নামি পৰাৰ অভিযোগ তোলে। ধৰ্ষণত অভিযুক্ত, দিনে ৰাতি মদ্যপান কৰি সামাজিক বাতাবৰণ বিনষ্ট কৰা এইগৰাকী ইউ পি পি এলৰ কৰ্মীয়ে এগৰাকী ৰাইজৰ প্ৰতিনিধিৰ বিৰুদ্ধে ভুৱা অভিযোগ উথ্থাপন কৰি সামাজিক বাতাবৰণ বিনষ্ট কৰিবলৈ চেষ্টা কৰাটো দুৰ্ভাগ্য জনক। ঘটনাৰ সত্যাসত্য নিৰূপন নকৰাকৈ একাংশ সংবাদমাধ্যমে সঞ্জিৎ তাঁন্তীক সাঙুৰি একপক্ষীয় বাতৰি প্ৰকাশ কৰি কাৰ্যবাহী সদস্য গৰাকীৰ ভাৱমূৰ্ত্তি সমাজত বিঘ্নিত কৰা বুলি আক্ষেপ প্ৰকাশ কৰি সংবাদমেলত তেওঁ এই ঘটনাৰ বিষয়ে অজ্ঞ বুলি কয় । প্ৰকাশিত বাতৰিটো সম্পূৰ্ণ মনেসজা, উদ্দেশ্য প্ৰনোদিত আৰু জনপ্ৰতিনিধি গৰাকীৰ বিৰুদ্ধে ৰচা এক ষড়যন্ত্ৰৰ বাহিৰে একো নহয়। বিগত সময়ত কাৰ্যবাহী সদস্য সঞ্জিৎ তাঁন্তীৰ উন্নয়ন মূলক কাম আৰু জনপ্ৰিয়তাত শংকিত হৈ সমষ্টিৰ একাংশ বিৰোধী দলৰ নেতা কৰ্মীয়ে মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছে বুলি সংবাদমেলত গুৰুতৰ অভিযোগ উথ্থাপন কৰি ই এম গৰাকীয়ে। ৰাস্তা-ঘাট নিৰ্মাণ, মঠ মন্দিৰ নিৰ্মাণ আৰু উন্নয়নকে ধৰি সমষ্টিটোত শিক্ষাৰ নৱ প্ৰভাতৰ বাবে সঞ্জিত তান্তীয়ে যিদৰে কাম কৰি আহিছে সেয়া বিটিচিয়ে নহ'য় সমগ্ৰ অসমৰ বাবে এক আদৰ্শ বুলি দাবী কৰিছে একাংশ নেতাই। স্বাধীনতাৰ পৰৱৰ্তী সময়ত শিক্ষা, উন্নয়নৰ পোহৰে ঢুকি নোপোৱা অনগ্ৰসৰ ননৈ চেৰফাং সমষ্টিৰ যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ বাট মুকলি আৰু ছাত্ৰ -ছাত্ৰীসকলক উপযুক্ত বৃত্তিমুখী আৰু কাৰিকৰী শিক্ষাৰে মানৱ সম্পদ ৰূপে গঢ়ি তুলিবলৈ বিগত চাৰি বছৰে চেষ্টাৰ কোনো কোনো ত্ৰুটি কৰা নাই বুলি মন্তব্য কৰি তেওঁ সমষ্টিত বহু জনপ্ৰতিনিধি আহিল আৰু গ'ল কিন্তু কোনোও এই ক্ষেত্ৰত একোৱে নকৰিলে বুলি কয়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি